সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,৪৯ সংখ্যা,২০ আঘোণ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 49 Date of Publication- 7 December 2025 Rs. 10.00/-

## অস্বাভাৱিক বিমানৰ ভাৰা বৃদ্ধিৰ বিৰুদ্ধে কঠোৰ হ'ব পৰিবহণ মন্ত্ৰালয়



ৰঙিলী বাৰ্ত্তাসেৰা- শেহতীয়াকৈ দেশৰ সৰ্ববৃহৎ বিমান সংস্থা ইণ্ডিগ'ৰ অচলাৱস্থাৰ ফলত প্ৰতিদিনে শ শ বিমান বাতিল হোৱাৰ লগতে বিমানৰ বিলম্ব যাত্ৰাই সমস্যাত পেলাইছে যাত্ৰীক। অপ্ৰত্যাশিত বিমান বাতিলৰ ফলত যাত্ৰীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইণ্ডিগ' এই সংকটৰ সুযোগ লৈ আন বিমান কোম্পানীসমূহে আকাশলংঘী বৃদ্ধি কৰিছে বিমান ভাৰা। বিভিন্ন বিমানপথত যাত্ৰীৰ ভাৰা চাৰিগুণ পৰ্যন্ত বৃদ্ধি পাইছে। বিমান বন্দৰে বন্দৰে পণবন্দী হৈছে দেশী-বিদেশী যাত্ৰীসকল। দেশৰ সৰ্ববৃহৎ বিমান সংস্থা ইণ্ডিগ'ই পৰিস্থিতি স্বাভাৱিক হৈছে বুলি দাবী কৰিলেও শনিবাৰেও দেশৰ বিমান সেৱাত চৰম অৰাজক অৱস্থা পৰিলক্ষিত হৈছে। ঘৰুৱা বিমানৰ টিকটৰ দাম অদ্যাপি বিদেশ যাত্ৰাতকৈও ব্যয়বহুল হৈ পৰিছে। এনে বিশৃংখল পৰিস্থিতিৰ মাজতে বিষয়টোত গুৰুত্ব আৰোপ কৰিছে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে ইণ্ডিগ'ৰ বেমেজালি আৰু আন বিমান কোম্পানীৰ অমানৱীয় ভাৰা বৃদ্ধিৰ বিৰুদ্ধে কঠোৰ হৈ পৰা পৰিলক্ষিত হৈছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী নাইডুৱে এনে লুণ্ঠনকাৰী কোম্পানীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিছে। বিগত ৫ দিন ধৰি দেশৰ বিমান সেৱাত চৰম অচলাৱস্থাৰ সৃষ্টি হৈছে। দেশী-বিদেশী পৰ্যটকে চৰম অনিশ্চয়তাত দিন কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইণ্ডিগ'ক পূৰ্বতেই বহু সাৱধান কৰি দিয়াৰ পিছতো কোনো সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ নকৰাৰ লগতে ইণ্ডিগ'ৰ শীৰ্ষ বিষয়াসকলৰ অৱহেলাৰ বাবেই এনে অচলাৱস্থাৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰি অসামৰিক পৰিবহণ

( নপৃষ্ঠাত চাওক)

## ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ দুদিনীয়া দিল্লী ভ্ৰমণসূচীত একাধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৰা- দুদিনীয়া নতুন দিল্লী ভ্ৰমণসূচীত অতি গুৰুত্বপূৰ্ণ বিষয়ত ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ উপস্থিতিত ভাৰত-ৰাছিয়াৰ মাজত সম্পন্ন হ'ল একাধিক বুজাবুজিৰ চুক্তি। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি বৃহস্পতিবাৰে নতুন দিল্লীত উপস্থিত হোৱা ৰুছ ৰাষ্ট্ৰপতি পুটিনে ভাৰতীয় নৌসেনা বাহিনীৰ হাত শক্তিশালী কৰি আগবঢ়াইছে এক উপহাৰ। সেয়া হৈছে এক ৰুছ ব্ৰহ্মাস্ত্ৰ- '৩এম-১৪ই কেলিবাৰ' ক্ৰুজ ক্ষেপণাস্ত্ৰ। অত্যাধুনিক এই ব্ৰহ্মাস্ত্ৰ ভাৰতৰ অস্ত্ৰাগাৰত অচিৰেই অন্তৰ্ভুক্ত হোৱাৰ কথা। এই ক্ৰুজ ক্ষেপণাস্ত্ৰৰ সহায়ত সমুদ্ৰপৃষ্ঠৰ পৰা যিকোনো শত্ৰু দেশৰ উপকূলৰ ১, ৫০০ কিলোমিটাৰ

( দুই পৃষ্ঠাত চাওক)

## অসম আৰক্ষীৰ ১৭১৫ কনিষ্টবল পদৰ বাবে বিজ্ঞাপন প্ৰকাশ

ৰঙিলী বাৰ্ত্তাসেৰা- ৰাজ্যৰ লাখ লাখ নিবনুৱালৈ সুখবৰ। প্ৰকাশ পালে অসম আৰক্ষীত খালী পদৰ বিজ্ঞাপন। প্ৰকাশ হোৱা বিজ্ঞাপন অনুসৰি ১, ৭১৫টা কনিষ্টবল পদৰ বাবে যুৱক-যুৱতীসকলে আবেদন কৰিব পাৰিব। এই বিজ্ঞাপনত সশস্ত্ৰ শাখা (এবি) আৰু নিৰস্ত্ৰ শাখা (ইউবি) দুয়োটাকে সামৰি লোৱা হৈছে। উল্লেখ্য যে ( দহ পৃষ্ঠাত চাওক)

## '২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰে মিত্ৰতা নহয় বিপিএফৰ




ৰঙিলী বাৰ্ত্তাসেৰা- সমাগত ২০২৬ৰ বিধানসভা নিৰ্বাচন। এই '২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ সৈতে মিত্ৰতা নহয় বিপিএফৰ। গহপুৰত বিপিএফৰ বিজয় উৎসৱত অংশ গ্ৰহণ কৰি এই কথা স্পষ্ট কৰি দিলে বিটিচি ডেপুটি চিফ তথা বিপিএফৰ জ্যেষ্ঠ নেতা ৰিহন দৈমাৰীয়ে। তেওঁ লগতে কয়, বিটিচিৰ উন্নয়নৰ বাবে যিটো দলে বিধানসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰিব আৰু যিটো দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব সেই দলৰ লগত বিপিএফ থাকিব। লগতে নিৰ্বাচনৰ আগত কোনো দলৰে বিপিএফৰ মিত্ৰতা নহয় বুলিও দৃঢ়তাৰে কয় দৈমাৰীয়ে। ছয় জনগোষ্ঠীৰ

( নপৃষ্ঠাত চাওক)

## অসমৰ চাহকে ধৰি ৬টা বিশেষ উপহাৰ প্ৰদান ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক




ৰঙিলী বাৰ্ত্তাসেৰা- ভাৰত-ৰাছিয়াৰ বাৰ্ষিক সন্মিলন উপলক্ষে ভাৰতলৈ অহা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক ৬টা বিশেষ উপহাৰেৰে আপ্যায়ন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ( দুই পৃষ্ঠাত চাওক)

# ১২ ডিচেম্বৰত দাখিল হ'ব জুবিনৰ ৰহস্যজনক মৃত্যুৰ চাৰ্জশ্বীটঃএছআইটিৰ মুৰব্বী



ৰঙিলী বাৰ্ত্তাসেৱা- ছিংগাপুৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোট, চমুকৈ এছআইটিয়ে অহা ১২ ডিচেম্বৰত আদালতত অভিযোগনামা দাখিল কৰিব। শনিবাৰে উলুবাৰীৰ চিআইডিৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদ মেলযোগে এছআইটিৰ মুৰব্বী তথা চিআইডিৰ বিশেষ সঞ্চালক প্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই এই কথা সদৰী কৰিছে । অভিযোগনামা দাখিল সন্দৰ্ভত আয়োজিত সংবাদ মেলত এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই কয় যে গোচৰটোৰ তদন্তৰ আমি চূড়ান্ত পৰ্যায়ত আহি উপস্থিত হৈছোঁ। অহা ৰচ ডিচেম্বৰত আদালতত অভিযোগনামা দাখিল কৰা হ'ব। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ৰুজু হোৱা ১৮/২৫ নম্বৰ গোচৰৰ অধীনতে অভিযোগনামাখনদাখিল কৰা হ'ব। মন কৰিবলগীয়া যে প্ৰিয় (দহ পৃষ্ঠাত চাওক)

# বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱত বিনীতা দেৱীৰ পৰিচালনাত 'ৰাৱণ বধ'ৰ সফল মঞ্চায়ন



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ পূৱ ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ, ডিমাপুৰে আয়োজন কৰা "বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ"ত যোৱা ৬ ডিচেম্বৰত সংগীত নাটক অকাডেমীৰ পৰা ওস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰ প্ৰাপ্ত বিনীতা দেৱীৰ পৰিচালনাত "ৰাৱণ বধ" পুতলা নাচৰ মাধ্যমত মঞ্চস্থ হয়। নাটখনৰ ৰচনা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা ফেল'শ্বিপ (দহ পৃষ্ঠাত চাওক)

# ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ দুদিনীয়া

অন্তৰ্ভাগত আঘাত হানিবলৈ সক্ষম হ'ব ভাৰতীয় নৌসেনাই। মস্কোৰ তৰফৰ পৰা দাবী কৰা অনুসৰি ছাবমেৰিনৰ নক্সাৰ সৈতে সংপৃক্ত হৈ থাকিবলগীয়া এই ব্ৰহ্মাস্ত্ৰ যিকোনো মুহূৰ্তত লক্ষ্যস্থানত আঘাত হানিব পৰাকৈ সক্ষম। মন কৰিবলগীয়া যে ৰুছ লেণ্ড এটাক ক্ৰুজ ক্ষেপণাস্ত্ৰবিধৰ ৰপ্তানিৰ এটা ভাৰ্ছনো ৰুছ বিজ্ঞানীয়ে প্ৰস্তুত কৰি উলিয়াইছে, যাৰ নাম '৩এম-১৪ই কেলিবাৰ পিএল'। উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে মস্কো ভ্ৰমণ কৰিছিল ভাৰতীয় নৌসেনা বাহিনীৰ এটা শীৰ্ষ পৰ্যায়ৰ বিষয়াৰ দলে। তেতিয়াই ৰাছিয়াৰ পৰা ভাৰতলৈ এই অত্যাধুনিক ক্ৰুজ ক্ষেপণাস্ত্ৰবিধ আমদানি কৰাক লৈ দুয়োখন ৰাষ্ট্ৰৰ মাজত আলোচনা হৈছিল। সমান্তৰালভাৱে প্ৰতিৰক্ষা সম্পৰ্কীয় সা-সৰঞ্জাম আমদানি আৰু ৰপ্তানি সন্দৰ্ভত ৰুছ ৰাষ্ট্ৰীয়কৃত মধ্যস্থতাকাৰী সংস্থা 'ৰছ'বৰ'নেক্সপ'ৰ্ট'ৰ সৈতেও ভাৰতীয় নৌসেনা বাহিনীৰ শীৰ্ষ বিষয়াবৰ্গই বৈঠকত মিলিত হয়। সেই বৈঠকতে উপস্থিত আছিল ৰাছিয়াৰ অত্যাধুনিক ক্ৰুজ ক্ষেপণাস্ত্ৰটোৰ নিৰ্মাণকাৰী সংস্থা নভাট'ৰ ডিজাইল ব্যুৰ'ৰ কৰ্তৃপক্ষ। অৱশ্যে তেতিয়া ভাৰতলৈ '৩এম-১৪ই কেলিবাৰ' আমদানি সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত হোৱা নাছিল। কিন্তু ৰুছ ৰাষ্ট্ৰপতি পুটিনৰ দুদিনীয়া ভাৰত ভ্ৰমণসূচীয়ে এই বিষয়টোক ইতিবাচক গতি দিয়ে। ভাৰত-ৰাছিয়াৰ মাজত ইতিমধ্যে সম্পন্ন হৈছে এখন গুৰুত্বপূৰ্ণ সামৰিক চুক্তি। যাৰ নাম ৰেছিপ্ৰ'কেল এক্সেঞ্জেছ অৱ ল'জিষ্টিক ছাপ'ৰ্ট, চমুকৈ ৰে'লছ। যাৰ জৰিয়তে মস্কোৰ সামৰিক ঘাটি ব্যৱহাৰৰ অনুমতি লাভ কৰিছে নতুন দিল্লীয়ে। আনকি ৰাছিয়াৰ ভূমিত যুদ্ধজাহাজ, ছাবমেৰিন আৰু জেড বিমান মোতায়েন কৰিবলৈও এতিয়াৰে পৰা সক্ষম ভাৰত। সমান্তৰালভাৱে ৰাছিয়াৰ পৰা ভাৰতে লাভ কৰিব ল'জিষ্টিক ছাপ'ৰ্ট। এক কথাত ক'বলৈ গ'লে ইন্ধন, অস্ত্ৰ-শস্ত্ৰ, ৰচদপাতি বা যুদ্ধজাহাজ-জেড বিমানৰ মেৰামতিসহ আনুষংগিক সুযোগ-সুবিধাসমূহো লাভৰ পথ প্ৰশস্ত হৈছে ভাৰতীয় সেনাবাহিনীৰ পক্ষে। তথ্য অনুসৰি উক্ত সামৰিক বুজাবুজিকে ধৰি ৰাষ্ট্ৰপতি পুটিনৰ দুদিনীয়া ভ্ৰমণসূচীৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ভাৰত-ৰাছিয়াৰ মাজত মুঠ ১৬খন চুক্তি সম্পাদন হয়।

# অসমৰ চাহকে ধৰি ৬টা

এই উপহাৰৰ তালিকাত প্ৰধানমন্ত্ৰীয়ে অসমৰ বিশ্ববিখ্যাত চাহক অন্তৰ্ভুক্ত কৰে। পুটিনক প্ৰধানমন্ত্ৰী মোদীয়ে নিৰ্বাচিত ফাইন আছাম ব্লেক টি (Fine Assam Black Tea) উপহাৰ দিয়ে। ২০০৭ চনত জিআই টেগ লাভ কৰা এই চাহে অসমৰ চহকী ঐতিহ্য আৰু ইয়াৰ জলবায়ু সম্পৰ্কে বিশ্বত জিলিকাই তুলিব। দেশৰ বিভিন্ন প্ৰান্তৰ থলুৱা সামগ্ৰীৰে বিদেশী অতিথিক আপ্যায়ন কৰা মোদীয়ে এইবাৰ পশ্চিমবংগৰ মুৰ্চিদাবাদ জিলাৰ বিশেষ ৰূপেৰে বিশেষভাৱে নিৰ্মিত চাহৰ ছেট, কাপ, কেট্‌লী আৰু কেতবোৰ বাচন-বৰ্তন উপহাৰ দিয়ে। এইটো পশ্চিমবংগৰ কলা-সংস্কৃতিৰ সৈতে জড়িত। একেদৰে মহাৰাষ্ট্ৰত নিৰ্মিত ৰূপৰ ঘোঁৰা আৰু উত্তৰ প্ৰদেশৰ আগ্ৰাত নিৰ্মিত মাৰ্বলৰ দবা ছেট এটাও উপহাৰ দিয়ে পুটিনক। উপহাৰৰ টোপোলাত জম্মু-কাশ্মীৰৰ বিখ্যাত সুগন্ধি মচলা কেশৰেও ঠাই পায়। উল্লেখ্য যে বৃহস্পতিবাৰে নিশা বিমানবন্দৰলৈ গৈ প্ৰট'কল ভংগৰে ৰাষ্ট্ৰপতি পুটিনক আদৰণি জনায় প্ৰধানমন্ত্ৰী মোদীয়ে। সেই সময়তে ৰাছিয়ান ভাষাত অনুদিত এখন 'গীতা' উপহাৰ হিচাপে আগবঢ়ায় প্ৰধানমন্ত্ৰী মোদীয়ে। এই গ্ৰন্থত মহাভাৰতৰ যুদ্ধ আৰম্ভ হোৱাৰ আগতে অৰ্জুন আৰু কৃষ্ণৰ মাজত হোৱা কথা-বতৰা লিপিবদ্ধ কৰা আছে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী মোদীয়ে নিজেই ৰাষ্ট্ৰপতি পুটিনক গীতা উপহাৰ দিয়াৰ কথা উল্লেখ কৰিছিল।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী

# বাঘ যেতিয়া নৰখাদক হয়



গাৰ নোম শিয়ৰি উঠা এটা শব্দ 'বাঘ'। নামটো শুনিলেই যেন আমি ক'ত যাম, কি কৰিম, ক'ত লুকাম অৱস্থা। বনৰ ৰজাৰ মুখামুখি হোৱাৰ দুঃসাহস আমাৰ কাৰোৰেই নাই। দেখিলেই চুলিৰ আগে জীৱ যোৱা এইবিধ মাংসভোজী প্ৰাণী পিছে কিছুমান বিশেষ কাৰণতহে নৰখাদক হয়। একমাত্ৰ বিভিন্ন জীৱ-জন্তু চিকাৰ কৰি পেট প্ৰৱৰ্তোৱা বনৰ ৰজা যেতিয়া বেয়াকৈ অঘাট প্ৰাপ্ত হয়, বুঢ়া হৈ জীৱ-জন্তু চিকাৰ কৰাত অক্ষম হয় বা কোনো কাৰণত যদি জিভাই মানুহৰ তেজৰ সোৱাদ পাই, তেতিয়াহে এটা বাঘ নৰখাদকলৈ ৰূপান্তৰিত হয়। অন্যথা বনৰ ৰজা সদায় শান্ত-সৌম্য তথা গহীন গম্ভীৰ। আমাৰ সকলোৰে অতি পৰিচিত প্ৰখ্যাত চিকাৰী জিম কৰবেটৰ বাঘ চিকাৰৰ কাহিনী বোৰত বাঘ এটা নৰখাদক হোৱাৰ সুন্দৰ বিশ্লেষণ পোৱা যায়।

এতিয়া আহো আমাৰ চৌপাশৰ মানুহ ৰূপী নৰখাদক বোৰৰ কথালৈ। বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ জয়-জয়, ময়-ময়ৰ দিনত আমিবোৰ ইমানেই আত্মকেন্দ্ৰিক তথা স্বাৰ্থপৰ হৈ পৰিছো যে সমাজৰ, দহৰ হিত সাধনৰ অৰ্থে কিবা এটা কৰাতো দূৰৈৰে কথা, সামান্যতম মানবীয় গুণ খিনিও লাহে লাহে পাহৰি পেলাইছো। ৰাতিপুৱাতে হাতত খবৰ কাগজখন লৈ T.V টো অ'ন কৰিলেই নিউজ চেনেল বোৰত, ছচিয়েল মেডিয়াত কেৱল হত্যা, ধৰ্ষণ, কটা-কটি, মৰা-মৰি ইত্যাদি বোৰ মানব-সমাজক লজ্জানত কৰা ঋণাত্মক বাতৰিৰ পয়োভৰ। চৌপাশে মৃত্যুৰ কিৰিলি, চোৰ দগাবাজৰ টিঘিল ঘিলনি, ৰক্ষকেই ভক্ষকৰ নগ্ন ৰূপ ইত্যাদি বোৰে উন্নতিৰ ঢাক-ঢোলত বাৰু বাধাৰ সৃষ্টি কৰা নাইনে? মানুহ হৈ জন্ম লৈ নিজকে মানুহ হিচাপে পৰিচয় দিবলৈ ইতৰ প্ৰাণীৰ সন্মুখত আমিবোৰ সমৰ্থ নে? সমুখৰ আইনাখনত নিজকে চালে আমি উত্তৰ কি পাঁও বাৰু? ধীৰে ধীৰে আমিবোৰো একো একোটা নৰখাদকলৈ পৰিবৰ্তন হ'বলৈ ধৰা নাইনে বাৰু? কাৰ প্ৰৰোচনাত তথা কি পৰিস্থিতিত পৰি মানব সমাজৰ এই পৰিবৰ্তন?

গাৰ নোমেই শত্ৰু নিজৰ ছাঁটোকেই বিশ্বাসত ল'ব নোৱাৰাৰ দিনত, মৰম, ভালপোৱা, বিশ্বাস ইত্যাদিবোৰৰ অন্তিম যাত্ৰাত, চিতাৰ জুইত বিলিন হোৱাৰ আগত সকলোৰে মিলি আহকচোন ভাবো অকনমান।

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এদিনীয়া শৃংখলা দখল ভাৰতৰ




ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এদিনীয়া শৃংখলা দখল কৰিলে ঘৰুৱা দল টীম ইণ্ডিয়াই। আলহী দল দক্ষিণ আফ্ৰিকাৰ বিপক্ষে খেলা তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাটোৰ বিশাখাপট্টনমত অনুষ্ঠিত তৃতীয় তথা নিৰ্ণায়ক মেচখনত টীম ইণ্ডিয়াই ৯ উইকেটত জয়লাভ কৰে। মেচখনত বিজয় সাব্যস্ত কৰি টীম ইণ্ডিয়াই শৃংখলাটো ২-১ত হস্তগত কৰে। মেচখনত প্ৰ'টিয়াজ বাহিনীয়ে জয়ৰ বাবে বান্ধি দিয়া ২৭১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰ যশস্বী জয়ছোৱালৰ অপৰাজিত শতক তথা ৰোহিত শৰ্মা আৰু বিৰাট কোহলীৰ অৰ্ধশতকৰ সহায়ত টীম ইণ্ডিয়াই ৩৯.৫ অভাৰত মাত্ৰ ১টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ইনিংছ মুকলি কৰিবলৈ আহি জয়ছোৱাল আৰু ৰোহিত শৰ্মাই টীম ইণ্ডিয়াক সুন্দৰ আৰম্ভণি দিয়াই নহয় দলৰ জয়ৰ পথো প্ৰশস্ত কৰি তোলে। দুয়োৰে (তিনিপৃষ্ঠাত চাওক)

# ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক ৰাষ্ট্ৰপতি ভৱনত উষ্ম আদৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে বৃহস্পতিবাৰে ভাৰতত উপস্থিত হোৱা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক শুকুৰবাৰে পুৱা ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক ৰাষ্ট্ৰপতি ভৱনত আদৰণি জনায়। আদৰণি অনুষ্ঠানত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক তিনি সেনাৰ গাৰ্ড অৱ অনাৰ প্ৰদান হয়। লগতে বাজি উঠে ৰাছিয়া আৰু ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত। আদৰণী অনুষ্ঠানত (দহ পৃষ্ঠাত চাওক)

# ভাৰত-ৰাছিয়াৰ মাজত সামুদ্ৰিক চুক্তিত স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত আৰু ৰাছিয়াই দুয়োখন দেশৰ মাজত সংযোগ, জাহাজ নিৰ্মাণ ক্ষমতা আৰু সামুদ্ৰিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে দুখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামুদ্ৰিক সংযোগৰ কৌশলগত গুৰুত্বৰ সন্দৰ্ভত আলোকপাত কৰি কয় যে দুয়োখন দেশে আন্তৰ্জাতিক উত্তৰ-দক্ষিণ পৰিবহণ কৰিড'ৰ (আই এন এছ টি চি), উত্তৰ সামুদ্ৰিক পথ আৰু চেন্নাই-ভ্লাদিভোষ্টক পুব সাগৰীয় কৰিড'ৰ (ই এম চি)ৰ ক্ষেত্ৰত নতুন উৎসাহেৰে আগবাঢ়ি যাব। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে প'লাৰ জলভাগত সামুদ্ৰিক যাত্ৰী প্ৰশিক্ষণৰ সহযোগিতাই আৰ্কটিক সহযোগিতাত এক নতুন মাত্ৰা প্ৰদান কৰিব আৰু ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে নতুন নিয়োগৰ পথ মুকলি কৰিব। 'দুয়োখন দেশৰ মাজত সংযোগ বৃদ্ধি কৰাটোৱেই আমাৰ প্ৰাধান্য। আমি আই এন এছ টি চি, উত্তৰ সাগৰীয় পথ আৰু চেন্নাই- ভ্লাদিভোষ্টক কৰিড'ৰত নতুন উৎসাহেৰে আগবাঢ়ি যাম, মই সুখী যে এতিয়াৰ পৰা ভাৰতীয় সামুদ্ৰিক যাত্ৰীসকলক প'লাৰ জলভাগৰ বাবে প্ৰশিক্ষণ দিয়াত আমি সহযোগিতা আৰম্ভ কৰিম। ই কেৱল আৰ্কটিকত আমাৰ সহযোগিতা শক্তিশালী কৰাই নহয়, ভাৰতৰ যুৱ সমাজৰ বাবেও নতুন নিয়োগৰ সুযোগ সৃষ্টি কৰিব'- প্ৰধানমন্ত্ৰী মোদীয়ে এনেদৰে কয়। (দহ পৃষ্ঠাত চাওক)

# এছআইটিয়ে চাৰে ৩ হাজাৰ পৃষ্ঠাজোৰা চাৰ্জশ্বীট দাখিল কৰিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা বিশেষ তদন্তকাৰী গোট চমুকৈ এছআইটিয়ে চাৰে তিনি হাজাৰ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিব। উমৰাংছ'ত সংবাদ মাধ্যমৰ আগত এই তথ্য প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই। এই তথ্য দাঙি ধৰি মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়- জুবিন গাৰ্গে ন্যায় পাবই। এছআইটিয়ে কাম সম্পূৰ্ণ কৰিছে। তেওঁলোকে জনোৱা মতে প্ৰায় চাৰে তিনি হাজাৰ পৃষ্ঠাৰ চাৰ্জশ্বীট সাজু কৰিছে। অভিযোগনামা দাখিল লৈ ইতিমধ্যে মহাধিবক্তাৰ লগতো আলোচনা কৰিছে। গতিকে ১৮ ডিচেম্বৰৰ পূৰ্বেই ৬-১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা (নপৃষ্ঠাত চাওক)

# উমৰাংছ'ত আটকধুনীয়া ক্ৰিকেট ষ্টেডিয়াম উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে এক সুখবৰ। ৰাজ্যৰ ক্ৰীড়া মানচিত্ৰত অন্তৰ্ভুক্ত হ'ল এখন নতুন ক্ৰিকেট ষ্টেডিয়াম। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ উদীয়মান ক্ৰিকেট খেলুৱৈসকলক উৎসাহিত কৰাৰ লগতে ক্ৰিকেটৰ এক ইতিবাচক পৰিৱেশ গঢ়িবলৈ গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে শুক্ৰবাৰে ডিমা হাছাও জিলাৰ উমৰাংছ'ত অসম ক্ৰিকেট সন্থাৰ উদ্যোগত নৈসৰ্গিক পৰিৱেশত গঢ়ি তোলা প্ৰায় ১৫,০০০ হাজাৰ আসন ক্ষমতা বিশিষ্ট এক আকৰ্ষণীয় ভূ-গেলাৰীৰ ব্যৱস্থা সম্পন্ন অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম আৰু ছেঙিয়া তুলাৰাম পেভেলিয়নৰ শুভ উদ্বোধন কৰে। শুক্ৰবাৰে দিনৰ প্ৰায় ১১ মান বজাত গুৱাহাটীৰ পৰা হেলিকপ্টাৰযোগে উমৰাংছ'ত উপস্থিত হয় মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা। আৰু তাৰ পিছত পোনে পোনে উক্ত স্থানলৈ ৰাওনা হয় আৰু অসম ক্ৰিকেট সন্থাৰ আটকধুনীয়া ক্ৰিকেট ষ্টেডিয়ামখন মুকলি কৰে । উল্লেখ্য যে ২০২১ চনৰ ২৫ ছেপ্টেম্বৰত আধাৰশিলা (দহ পৃষ্ঠাত চাওক)

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে

মাজত প্ৰথম উইকেটত ১৫৫ ৰান সংগ্ৰহ হয়। ৰোহিত শৰ্মাই ৭৫ ৰানত বিদায় লয় যদিও জয়ছোৱালে এদিনীয়া ক্ৰিকেটত প্ৰথমটো শতক অৰ্জন কৰে।ৰোহিত শৰ্মা আউট হোৱাৰ পিছত জয়ছোৱালে কোহলীৰ সৈতে লগ লাগি দলক জয়ৰ সোৱাদ দিয়ে। দুয়োৱে দ্বিতীয় উইকেটত অপৰাজিতভাৱে ১১৬ ৰান সংগ্ৰহ কৰে। জয়ছোৱালে ১১৬ ৰান কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে কোহলীয়ে ৬৫ ৰান কৰি নট আউট হৈ থাকে। দক্ষিণ আফ্ৰিকাৰ হৈ একমাত্ৰ উইকেটটো দখল কৰে কেশৱ মহাৰাজে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও অ'পেনাৰ কুইন্টন ডি ক'কৰ দৰ্শনীয় শতক আৰু অধিনায়ক টেম্বা বাভুমাৰ ৪৮ ৰানৰ সহায়ত দক্ষিণ আফ্ৰিকাই ৪৭.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৭০ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ১ ৰানতে অ'পেনাৰ ৰিয়ান ৰিকেলটনে কোনো ৰান নকৰাকৈ পেভিলিয়নমুখী হয়। অৱশ্যে ডি ক'ক আৰু বাভুমাই দ্বিতীয় উইকেটত ১১৩ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে যদিও বাভুমা আউট হোৱাৰ পিছত বাকীসকল বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। ডি ক'কে ৮৯টা বলত ৮টা চাৰি আৰু ৬টা ছয়েৰে ১০৬ ৰান কৰে। ইফালে মেথিউ ব্ৰিটজকেই ২৪, মাৰ্কৰামে ৰ, দেৱাল্ড ব্ৰেভিছে ২৯, জানছেনে ১৭ আৰু কেশৱে অপৰাজিতভাৱে ২০ ৰান কৰে। টীম ইণ্ডিয়াৰ হৈ প্ৰসিদ্ধ কৃষ্ণ আৰু কুলদীপ যাদৱ উভয়ে সৰ্বাধিক ৪টাকৈ উইকেট লাভ কৰাৰ লগতে অৰ্শদীপ সিং আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট লাভ কৰে। মেচখনত জয়ছোৱালে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰাৰ বিপৰীতে শৃংখলাটোত দুটা শতক আৰু এটা অৰ্ধশতকেৰে মুঠ ৩০২ ৰান কৰা বিৰাট কোহলিয়ে শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

# ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিত নতুন মুখে পাব প্ৰাধান্যঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিত নতুন মুখে পাব প্ৰাধান্য পাব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা স্পষ্ট কৰিলে। তৃণমূল পৰ্যায়ত নিৰ্বাচনক লৈ ৰাজ্যিক বিজেপিয়ে আৰম্ভ কৰা তৎপৰতাৰ মাজতে প্ৰাৰ্থিত্বকেন্দ্ৰিক বিষয়টোৱে যথেষ্ট চৰ্চাৰ সৃষ্টি কৰিছে। এনে চৰ্চাৰ বিপৰীতে মুখ্যমন্ত্ৰীৰ স্পষ্ট মন্তব্য- বিজেপিৰ মহিলা আৰু যুৱশক্তিক নিৰ্বাচনত প্ৰাধান্য দিয়া হ'ব। উমৰাংছ'ত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ডং শৰ্মাই এই সন্দৰ্ভত কয়- বিজেপিত প্ৰত্যেক বছৰে মহিলাৰ সংখ্যা বৃদ্ধি কৰা হয়, যুৱকৰ সংখ্যা বৃদ্ধি কৰা হয়। আমাৰ লক্ষ্য হ'ল যে বিজেপি এটা যুৱ শক্তিকেন্দ্ৰিক দল হৈ থাকে। সেইবাবে প্ৰত্যেক নিৰ্বাচনতে নতুন মুখক প্ৰাধান্য দিয়া হয়। বিগত নিৰ্বাচনত তৰংগ গগৈৰ দৰে যুৱশক্তিক অগ্ৰাধিকাৰ দিয়া হৈছিল। এইবাৰ লক্ষ্য হ'ব তৰংগ গগৈতকৈও কম বয়সৰ ল'ৰা আগুৱাই আহক। এজন-দুজন বা তিনিজন যিমানেই নহওক, বিজেপিয়ে ডেকা তথা যুৱশক্তিৰ চেহেৰা বিজেপিলৈ অনা হ'ব। মই ভাবোঁ এইবাৰো নিৰ্বাচনত সেই দৃষ্টিৰে বিষয়টো চোৱা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলা প্ৰাৰ্থী বেছিকৈ বিচাৰে। গতিকে মহিলাৰ সংখ্যাও এইবাৰ বৃদ্ধি হ'ব। উল্লেখ্য যে আগন্তুক বিধানসভা (নপৃষ্ঠাত চাওক)

# ভাৰতত উপস্থিত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন




ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে বৃহস্পতিবাৰে নতুন দিল্লীত উপস্থিত হয় ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন। সন্ধিয়া প্ৰট'কল উলংঘাৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক উষ্ম আদৰণি জনায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। হাইপ্ৰফাইল অতিথিগৰাকী উপস্থিত হোৱাত ৰানৱে'ত থিয় হৈয়েই ৰাষ্ট্ৰপতি পুটিনক আলিংগন কৰি নতুন দিল্লী আৰু মস্কোৰ মাজৰ মিত্ৰতাৰ বাৰ্তাক তুলি ধৰে প্ৰধানমন্ত্ৰী মোদীয়ে। তাৰ পিছতে দুয়োগৰাকী ৰাষ্ট্ৰীয় নেতাই তাৰ পৰা ৰাওনা হয়। উল্লেখ্য যে সাধাৰণ প্ৰট'কল অনুযায়ী কোনো বিদেশী ৰাষ্ট্ৰনেতা ভাৰত ভ্ৰমণলৈ আহিলে তেওঁক আদৰণি জনাবলৈ বিমানবন্দৰত উপস্থিত থাকে বৈদেশিক কেবিনেট অথবা ৰাজ্যিক মন্ত্ৰী। অৱশ্যে কেতিয়াবা এই দায়িত্ব আন মন্ত্ৰীৰ ওপৰতো পৰে। কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে যেন এক নতুন পৰম্পৰা গঢ়ি তুলিছে। ২০১৭ বৰ্ষত ( নপৃষ্ঠাত চাওক)

# দুদিনীয়া কাৰ্যসূচীৰে ২০ ডিচেম্বৰত অসমলৈ আহিব প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে ২০ ডিচেম্বৰত অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী মোদীৰ আগমনক লৈ ৰাজ্য চৰকাৰে চলাই থকা প্ৰস্তুতিক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে যে প্ৰধানমন্ত্ৰীৰ এই আগমনতে দুটাকৈ উল্লেখযোগ্য প্ৰকল্প উদ্বোধন কৰা হ'ব। তামুলপুৰত সংবাদ মাধ্যমৰ আগত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ তথ্য সদৰী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ ডিচেম্বৰত গুৱাহাটীত উপস্থিত হৈ গুৱাহাটীৰ বৰঝাৰস্থিত বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন কৰাৰ লগতে নামৰূপত ১২ লাখ মেট্ৰিক টনৰ এটা ইউৰিয়া সাৰ প্ৰকল্প উদ্বোধন কৰিব। দুয়োটা প্ৰকল্প অসমৰ উন্নয়ন-বিকাশৰ লগত জড়িত। গতিকে প্ৰধানমন্ত্ৰীৰ আগমনক আমি স্বাগতম জনাইছোঁ। অসমৰ ৰাইজে বিচাৰি থকা দুটা বৃহৎ উপহাৰ আমি লাভ কৰিম। উল্লেখ্য যে ২০ ডিচেম্বৰত গুৱাহাটীত উপস্থিত হ'বলগা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ এটা প্ৰতিমূৰ্তিও উন্মোচন কৰিব। গুৱাহাটীত প্ৰধানমন্ত্ৰীয়ে এখন জনসভাও সম্বোধন কৰিব। ( নপৃষ্ঠাত চাওক)

# আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ তথা নিৰ্বাচনী সাহায্য সংস্থাৰ অধ্যক্ষ হিচাপে জ্ঞানেশ কুমাৰক দায়িত্ব অৰ্পণ




ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ তথা নিৰ্বাচনী সহায়তা সংস্থা (ইণ্টাৰনেচনেল ইনষ্টিটিউট ফৰ ডেমক্ৰেচী এণ্ড ইলেক্ট'ৰেল এছিষ্টেন্স) ২০২৬ বৰ্ষৰ অধ্যক্ষ হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক। ছুইডেনৰ ষ্টকহমত থকা সংস্থাটোৰ কাউঞ্চিল অৱ মেম্বাৰ ষ্টেট্ছৰ বৈঠকত জ্ঞানেশ কুমাৰক সংস্থাটোৰ অধ্যক্ষৰ দায়িত্ব দিয়া হয়। বৈঠকত উপস্থিত আছিল ছুইডেনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত অনুৰাগ ভূষণ। ১৯৯৫ চনত প্ৰতিষ্ঠিত এই সংস্থাটোৱে বিশ্বজোৰা গণতান্ত্ৰিক পৰিকাঠামো আৰু নিৰ্বাচনী প্ৰক্ৰিয়াক শক্তিশালী কৰাৰ চেষ্টা চলাই আহিছে। ৩৫খন দেশ এই সংস্থাৰ সদস্য বৰ্তমান লগতে ভাৰত এই সংস্থাৰ প্ৰতিষ্ঠাপক সদস্য। আগন্তুক বছৰটোত সংস্থাৰ অধ্যক্ষৰ দায়িত্ব পালন কৰিব জ্ঞানেশ কুমাৰে। দায়িত্ব লৈ তেওঁ কয়-'শান্তিপূৰ্ণ, সু-সংহত, দীৰ্ঘকালীন সুস্থিৰতাৰ বাবে গণতন্ত্ৰৰ কিমান প্ৰয়োজন তাকেই বুজাব ভাৰতে।' বিশ্বৰ অন্যতম বিশ্বাসযোগ্য নিকায় হিচাপে পৰিচিত ভাৰতৰ মুখ্য নিৰ্বাচন আয়োগৰ আয়ুক্তগৰাকীয়ে এই সংস্থাৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱাটোৰ অৰ্থ হ'ল ভাৰতৰ গণতন্ত্ৰ এতিয়াও বিশ্ববন্দিত। যি সময়ত দেশৰ বিৰোধী পক্ষই ভোটাৰ তালিকা যুগুত কৰাৰ পৰা আৰম্ভ কৰি সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াটোকে কাঠগৰাত তুলিছে সেই সময়ত নিৰ্বাচন আয়োগৰ আয়ুক্তগৰাকীলৈ এই স্বীকৃতি নিশ্চয়কৈ তাৎপৰ্যপূৰ্ণ।

# এছআইটিয়ে ১০ ডিচেম্বৰৰ পূৰ্বে চাৰ্জশ্বীট দাখিল কৰিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা এছআইটিয়ে অহা ১০ ডিচেম্বৰৰ পূৰ্বে চাৰ্জশ্বীট দাখিল কৰিব বুলি স্পষ্ট কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমেৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-এছআইটিয়ে অভিযোগনামা কেতিয়া দিব সেয়া তেওঁলোকে অতি সোনকালে জনাব। পূৰ্বে ঘোষণা কৰা ৮ ডিচেম্বৰৰ সলনি এটা দিন আগ-পিছ হ'ব পাৰে। কিন্তু নিৰ্দিষ্ট কোন দিনত, কোন সময়ত অভিযোগনামা দাখিল কৰিব সেয়া এছআইটিয়ে জানিব। চাৰ্জশ্বীট দাখিলৰ অন্তিম সময় হৈছে ১৮ ডিচেম্বৰ। গতিকে ১৮ ডিচেম্বৰৰ পূৰ্বেই অভিযোগনামা দাখিল কৰিব লাগে। মই ভাবোঁ যে তেওঁলোকে ৬-৭-৮ এই দিনকেইটাৰ আশে-পাশে অভিযোগনামা দাখিল কৰিব।

# দেশজুৰি ইণ্ডিগ'ৰ ৩০০ৰো অধিক বিমান বাতিল



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ সৰ্ববৃহৎ বিমান পৰিবহণ সংস্থা ইণ্ডিগ'ৰে উৰণ সেৱাৰ ক্ষেত্ৰত সন্মুখীন হোৱা বাধাৰ মাজতে ৩০০ৰো অধিক ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। বিমান সংস্থাটোৱে মুম্বাই বিমানবন্দৰত ৮৬খন, বেংগালুৰুত ৭৩খন, দিল্লীত ৩৩খন বিমানৰ উৰণ আৰু অৱতৰণ বাতিল কৰিছে। একেৰাহে তৃতীয়দিনাৰ বাবে বৈমানিকসকলৰ নতুন বিমান শুল্ক আৰু জিৰণিকালৰ নিয়মক লৈ সৃষ্টি হোৱা জটিলতাৰ পৰিপ্ৰেক্ষিতত বিমান পৰিবহণ সংস্থাটোৱে প্ৰয়োজনীয় বিমান কৰ্মীৰ অভাৱত এনেদৰে বিমান সেৱা বাতিল কৰিবলগীয়া হৈছিল। সংস্থাটোৱে এক বিবৃতিত জনাইছে যে যোৱা দুটা দিনত তাৎপৰ্যপূৰ্ণভাৱে বিমান সেৱা ব্যাহত হোৱা বাবে তেওঁলোকে গ্ৰাহকসকলৰ ওচৰত ক্ষমা বিচাৰিছে। সংস্থাটোৱে অহা ৪৮ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ বিমান পৰিবহণ সেৱা স্বাভাৱিক কৰি তুলিবলৈ সক্ষম হ'ব বুলি ঘোষণা কৰিছে।

# অসম গ্ৰন্থমেলা, শিলচৰত যুৱ-লেখক সন্মিলন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে ঘোষণা কৰা 'গ্ৰন্থ-বৰ্ষ'ৰে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আয়োজন কৰা দহদিনীয়া অসম গ্ৰন্থমেলা অব্যাহত আছে বৰাক উপত্যকাৰ প্ৰাণকেন্দ্ৰ শিলচৰত। ইয়াৰ পুলিচ পেৰেড গ্ৰাউণ্ডত ভাষা-সাহিত্য-সংস্কৃতিৰ ( নপৃষ্ঠাত চাওক)

# শ্ৰম, শ্ৰমদান আৰু তৰুণ শক্তিঃ জাতি গঠনৰ আধাৰ



**নলিনী ৰঞ্জন ভূঞা, জামুগুৰিহাট, শোণিতপুৰ**

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ইতিহাস গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে- পৃথিৱীৰ বুকুত গঢ় লৈ উঠা প্ৰতিটো সভ্যতাৰ মৌলিক ভিত্তি হৈছে কঠোৰ শ্ৰম। জীয়াই থকাৰ তাড়ণাত মানুহে আদিম অৱস্থাৰ পৰাই প্ৰকৃতিৰ সৈতে সংগ্ৰাম কৰি আহিছে। তেতিয়াৰ পৰা আৰম্ভ কৰি এতিয়াৰ এই বিজ্ঞান-প্ৰযুক্তিৰ চৰম শিখৰত উপনীত হোৱালৈকে, প্ৰতিটো খোজতেই নিহিত হৈ আছে মানুহৰ ঘাম আৰু পৰিশ্ৰম। যিকোনো এটা জাতি বা দেশৰ মেৰুদণ্ড স্বৰূপ তৰুণ প্ৰজন্মই যেতিয়া এই শ্ৰমৰ মৰ্যাদা হৃদয়েৰে অনুভৱ কৰে, তেতিয়াই সেই দেশৰ অৰ্থনৈতিক আৰু সামাজিক ভেটি শক্তিশালী হৈ উঠে। শ্ৰম কেৱল অৰ্থ উপাৰ্জনৰ মাধ্যম নহয়, ই এখন সমাজৰ প্ৰাণ স্পন্দন স্বৰূপ। কিন্তু বৰ্তমান সময়ত আমাৰ সমাজ ব্যৱস্থাত শ্ৰম আৰু তৰুণ শক্তিৰ মাজত গঢ় লৈ উঠা ব্যৱধানে এক চিন্তনীয় পৰিৱেশৰ সৃষ্টি কৰিছে। বিশেষকৈ আমাৰ ৰাজ্যখনত প্ৰচুৰ সম্ভাৱনা থকাৰ পাছতো কেৱল শ্ৰম বিমুখ মানসিকতাৰ বাবে আমি বহু ক্ষেত্ৰত পিছপৰি আছো। সেয়েহে আজিৰ প্ৰেক্ষাপটত শ্ৰম, শ্ৰমদান আৰু তৰুণ শক্তিৰ সদ্ব্যৱহাৰৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

এখন দেশৰ সৰ্বমুঠ জনসংখ্যাৰ মাজত তৰুণ বা যুৱচামেই হৈছে আটাইতকৈ শক্তিশালী সম্পদ। তেওঁলোকৰ শাৰীৰিক সক্ষমতা, মানসিক সতেজতা আৰু নতুন কিবা এটা কৰাৰ অদম্য হেঁপাহে দেশৰ ভৱিষ্যত নিৰ্ণয় কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত জাপান বা জাৰ্মানীৰ দৰে ধ্বংসপ্ৰাপ্ত দেশবোৰে কেৱল তেওঁলোকৰ নাগৰিক আৰু তৰুণ প্ৰজন্মৰ কঠোৰ শ্ৰমৰ জৰিয়তে সম্প্ৰতি বিশ্বৰ আগশাৰীৰ ধনী ৰাষ্ট্ৰত পৰিণত হৈছে। সেই দেশবোৰত শ্ৰমক ঈশ্বৰৰ উপাসনা বুলি গণ্য কৰা হয়। সাধাৰণতে যি শ্ৰমৰ দ্বাৰা ব্যক্তিৰ ব্যক্তিত্ব সাধন হয় আৰু কোনো কৰ্ম উৎপাদনৰে নিজৰ, দহৰ আৰু দেশৰ উপকাৰ সাধন হয় সেয়াহে প্ৰকৃত শ্ৰম। সকলো ভাল শ্ৰমৰে মৰ্যদা আছে। সমাজৰ যি লোকে শ্ৰম নকৰে সেই লোক সোৰোপা হয় আৰু সমাজত গৰিহণাৰ পাত্ৰ হয়। শ্ৰম কেইবা ধৰণৰে কৰা হয় । মন আৰু মগজুৰে যি শ্ৰম কৰা হয় তাক মানসিক শ্ৰম বোলা হয় আৰু শৰীৰৰ দ্বাৰা হাতেকামে যি শ্ৰম কৰা হয় সেয়া শাৰিৰীক শ্ৰম। পঢ়া শুনাকে ধৰি সাহিত্য সৃষ্টি, কাৰ্যালয়ৰ কাম, ডবা-লুডু আদি খেলা মানসিক শ্ৰমৰ অন্তৰ্ভূক্ত। আনহাতে কোৰ মৰা, খৰি ফলা, কৃষিকৰ্ম, গৰুগাই পালন, ফেক্টৰীত কাম কৰা, ৰিক্সা-গাড়ী আদি চলোৱা শাৰিৰীক শ্ৰমৰ অন্তৰ্ভূক্ত । ইয়াৰ উপৰিও ঘৰৰ পৰা বাহিৰত গৈ যি শ্ৰম কৰা হয় সেয়া বহিঃ শ্ৰম আৰু ঘৰৰ ভিতৰতে থাকি যি শ্ৰম কৰা হয় সেয়াক আন্তঃ শ্ৰম বোলা হয়। শ্ৰম কাৰ্যৰ অন্তৰালত নীহিত হৈ থাকে ধৈৰ্য, সহনশীলতা, ত্যাগ আৰু সেৱা মনোভাৱৰ দৰে গুণ সমূহ । কিন্তু পৰিতাপৰ বিষয় যে আমাৰ সমাজত কায়িক শ্ৰম অৰ্থাৎ শাৰীৰিক শ্ৰমক এক নিম্ন দৃষ্টিভংগীৰে চোৱা হয়। আমাৰ শিক্ষা ব্যৱস্থাই আমাক ডিগ্ৰীধাৰী কৰিছে সঁচা, কিন্তু শ্ৰমৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ হয়তো সম্পূৰ্ণৰূপে শিকাব পৰা নাই ফলস্বৰূপে- আমাৰ তৰুণ প্ৰজন্মৰ এটা বৃহৎ অংশই খেতি পথাৰত কাম কৰা বা সৰু-সুৰা ব্যৱসায় কৰাতকৈ ঘৰত নিবনুৱা হৈ বহি থকাটোকে শ্ৰেয় বুলি ভাবিবলৈ লৈছে। এই মানসিকতাই কেৱল ব্যক্তিগত জীৱনকেই নহয়, সমগ্ৰ ৰাজ্যৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাইছে।

অসমৰ অৰ্থনৈতিক দুৰৱস্থাৰ অন্যতম প্ৰধান কাৰণ হৈছে আমাৰ এই শ্ৰম বিমুখতা। আমাৰ ৰাজ্যৰ বজাৰ বোৰত উপলব্ধ শাক- পাচলি, মাছ-মাংস, কণীৰ পৰা আৰম্ভ কৰি দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীলৈকে প্ৰায়বোৰ বস্তু বহিঃ ৰাজ্যৰ পৰা আমদানী কৰিবলগীয়া হয়। **আগলৈ....**

# অসহায় আৰ্তনাদ



**অন্নপূৰ্ণা বৰা, যোৰহাট**

আন্ধাৰত নিৰ্মজিত অতীতক
কবৰ সজায় ভৱিষ্যতৰ
বুকুত সোনোৱালী পদচিহ্ন ৰখাৰ
পৰিক্ৰমাত বৰ্তমান
অনিশ্চিত জীৱন যদিওঁ, প্ৰতিটো
ঋতুতেই বহাগ আহে
প্ৰতিটো ঋতুয়েদি নিগৰিত হয়
পোৱা-নোপোৱা অথবা জয়-পৰাজয়
অঘোষিত খতিয়ান
মান অভিমান, স্বাভিমানী মন
প্ৰাপ্তিৰ আনন্দ, তথাপিও অপ্ৰাপ্তিৰ নিচান,
মনে বিচৰা সুখতকৈ, সুখী নোহোৱাৰ
অভিনয়ত হয় বিধস্ত বৰ্তমান
প্ৰস্ফূতিত ফুলে নাজানে
কোনোফালে মন্দিৰৰ বাট
কোনো ফালে শ্মশান ঘাট
তথাপিও সুগন্ধি সুৱাস বিলায়
সৃষ্ট কৰে নিৰ্মল আভাস
বৰ্ষা ঋতুত বৰষুণ নহলে
পথাৰ খনে সেউজীয়া হবলৈ চিৎকাৰ কৰে
বুকুৰ সপোন ভঙাৰ দুখত কেতেকীৰ
দুপৰ নিশা হিয়া ভঙা কান্দোন,
নিঠৰ হৈ ৰয় বহু উদাসী বুকু
জীৱন তথাপিও অনুপম
সাধনা হয় জগত জিনাৰ
আশাবাদী মন সকলোবোৰে
সেউজীয়া হব, সুন্দৰ হব
আমি সকলোৱেই এদিন গাম
সত্যম শিৱম সুন্দৰম

# স্বপ্নৰ পথাৰত ৰক্ত সেন্দুৰৰ টোপাল



**স্বাগণ কৃষ্ণন বৰা, কলিয়াবৰ**

দুই আঙুলিৰ মাজত লোৱা
কলম আৰু চিগাৰেট
লগৰী হ'ব খোজিছে মোৰ
কলমৰে উদং বহী খনৰ
পৃষ্ঠাবোৰত ৰঙনী সপোন লিখি
ভাগৰি পৰা সেই দুভাগ নিশা
ফিল্টাৰ চিগাৰেটৰ ধোৱাৰে
অন্ধ কলিজাত আকি আছো
তোমাৰ চকুলো ।
পুৱতীৰ কিৰণৰ পোহৰে
গৰম কৰিব খোজা চেচাঁ আঙুলীত
সেন্দুৰৰ ৰং লাগিল ।
কাকৈৰে চুলি বাই থাকোতে
চিটিকি পৰা পানীত তোমাৰ দেহৰ
গোন্ধ
আৱতৰীয়া শেৱালী ফুল দিনত ফুলা
যেন লাগিল

অণুগল্প

# পোনাকণৰ ছবি

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



মাক নোহোৱা ঘৰ খনলৈ
উভতে খৰকৈ তাই ।
চাহৰ কেটেলিটো চৌকাত
তুলি দি চাই থাকে বাৰে বাৰে
বাহিৰলৈ !!
পেটৰ কলমলনিটো কাণত
বাজি ৰয়, ৰাতিপুৱা গাটো
তিয়াই লোৱাৰ পৰা হেঁপাহ
বোৰে নিৰৱে বান্ধ খাই থাকে
বহু অপেক্ষাৰ স'তে----।

# অক্ষমতাক লালন-পালন কৰোঁ আহক

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



তিনি ডিচেম্বৰ এটা বিশেষ দিন। বিশেষ মানে বিশেষ ভাৱে সক্ষম অৰ্থাৎ দিব্যাংগ সকলৰ বাবে বিশেষ দিন। দিব্যাংগতা শব্দই কোনো এজন ব্যক্তিৰ শাৰীৰিক বা মানসিক সক্ষমতাক বুজায় যিয়ে ব্যক্তিজনৰ সাধাৰণ কাৰ্যকলাপত বাধাৰ সৃষ্টি কৰে। ১৯৮২ চনৰ পৰা ৰাষ্ট্ৰসংঘই ৩ ডিচেম্বৰত দিব্যাংগ দিৱস পালন কৰি আহিছে। এই দিৱস পালনৰ উদ্দেশ্য হৈছে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ প্ৰতিটো দিশতে দিব্যাংগ ব্যক্তি সকলৰ অধিকাৰ আৰু কল্যাণৰ বাবে সজাগতা বৃদ্ধি কৰা।

সমগ্ৰ বিশ্বতে ১ বিলিয়ন তকৈ অধিক লোকে কোনোবা নহয় কোনোবা ক্ষেত্ৰত শাৰীৰিক বা মানসিক অক্ষমতাৰ সৈতে বসবাস কৰি আছে। তেওঁ লোকৰ সমস্যা বোৰৰ বিষয়ে সজাগতা সৃষ্টি কৰা বা সকাহ দিবৰ বাবে একাধিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও বিশেষ বিশেষ স্থানত তেওঁলোকক প্ৰায়ে উপেক্ষা কৰা দেখা যায়। এনে বৈষম্যৰ অন্ত পেলাবলৈ দিব্যাংগ ব্যক্তি সকলৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁলোকক সমাজত সমানে অংশগ্ৰহণ কৰিবলৈ আৰু সামৰ্থ্য অনুসৰি নিজ নিজ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে দিব্যাংগ দিৱস পালন কৰা হয়। এই দিনটোত সুযোগহীনতা, বৈষম্য আৰু সহানুভূতিৰ অভাৱৰ বাবে বিশেষ ভাৱে সক্ষম ব্যক্তি সকলে যাতে দুখ-যান্ত্ৰণা ভুগিব লগা নহয় তাৰ ওপৰত আলোকপাত কৰা হয়। প্ৰতি বছৰে দিৱসটোৰ প্ৰতি লক্ষ্য ৰাখি এটা বিষয়বস্তু নিৰ্বাচন কৰা হয়। বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি বছৰটোৰ বাবে কিছুমান বিশেষ কাৰ্যসূচী হাতত লোৱা হয়। ২০২৫ বৰ্ষৰ দিব্যাংগ দিৱসৰ বিষয়বস্তু হৈছে- সামাজিক প্ৰগতিৰ উন্নতিৰ বাবে অক্ষমতা অন্তৰ্ভুক্ত সমাজক লালন-পালন কৰা (Fostering disability -inclusive societies for advancing social progress)।

মানসিক বলেৰে বিশ্ব জয় কৰি নিজৰ জীৱন কালতেই কিম্বদন্তি পুৰুষ হৈ পৰা ষ্টিফেন উইলিয়াম হকিঙে কৈছিল "প্ৰতিবন্ধকতা সফলতাৰ বাধা হ'ব নোৱাৰে। মই মোৰ যৌৱন কাল মটৰ নিউৰন নামৰ ৰোগ বিধৰ লগত কটাইছোঁ। তথাপিতো ই মোৰ কেৰিয়াৰত বা পাৰিবাৰিক জীৱনত কোনো বাধা জন্মাব পৰা নাই"। হকিঙে হতাশা জোকাৰি পেলাই শৰীৰত থকা পক্ষাঘাত ৰোগৰ লগত সহবাস কৰি অফুৰন্ত জীৱনী শক্তিৰে গণিত বিজ্ঞান আৰু মহাকাশ বিজ্ঞানত যুগান্তকাৰী অৱিহণা যোগালে। এইসকল ব্যক্তি দিব্যাংগ সকলৰ বাবে প্ৰেৰণা আৰু সাহসৰ প্ৰতীক।

২০১১ চনৰ ভাৰতীয় লোকপিয়লৰ গণনাৰ হিচাপ অনুসৰি ভাৰতত প্ৰায় ২ কোটি ৬৮ লাখ প্ৰতিবন্ধক লোক আছে। ইয়াৰ অধিকাংশই পুৰুষ। এই লোকসকলৰ স্বাস্থ্য, শিক্ষা, সংস্থাপন, সামাজিক স্বীকৃতি আদি নানান ধৰণৰ ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে "জাতিসংঘৰ দিব্যাংগ ব্যক্তিৰ অধিকাৰ সম্পৰ্কীয় সন্মিলন" আৰু ভাৰতৰ "সামাজিক ন্যায় আৰু অধিকাৰ মন্ত্ৰালয়ে" বিশেষ ভূমিকা পালন কৰি আহিছে। মন কৰিবলগীয়া কথাটো হ'ল ৰাষ্ট্ৰসংঘ, জাতিসংঘ, চৰকাৰ সকলোৱে নিজৰ দায়িত্ব পালন কৰাৰ পাছতো জৰুৰী অৱস্থাত দিব্যাংগ সকল প্ৰায়ে অৱহেলিত হৈ ৰোৱা দেখা যায়। সমাজৰ এটা শ্ৰেণীক উপেক্ষা কৰি সমাজ এখনে সামাজিক প্ৰগতিৰ দিশত আগুৱাই যোৱা সম্ভৱ নহয়। সমাজ হৈছে ব্যক্তিৰ সমষ্টি। সমাজৰ প্ৰতি গৰাকী ব্যক্তিৰ সুস্থ মানসিকতাই সুস্থ সমাজ এখন গঢ়ি তুলিব পাৰে।

ঘৰ খনেই হৈছে শিশু শিক্ষাৰ কঠিয়াতলী। দিব্যাংগ শিশু থকা ঘৰ এখনৰ প্ৰতিজন সদস্যই শিশু জনৰ লালন-পালনৰ ক্ষেত্ৰত সহানুভূতিশীল হ'ব লাগিব। শিশুজনৰ সক্ষমতাৰ দিশটো চিনাক্ত কৰি সেই দিশত কেনেদৰে আগুৱাই লৈ যাব পাৰে তাৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেনে ব্যক্তিক প্ৰেৰণামূলক জীৱনী গ্ৰন্থ পঢ়িবলৈ দিব লাগে নতুবা পঢ়ি শুনাব লাগে অন্যথা ছবিৰ সহায়ত বুজাবলৈ চেষ্টা কৰিব লাগে। পৰিয়ালৰ সম্পূৰ্ণ সহযোগিতা অবিহনে দিব্যাংগ শিশু জনে জীৱন উৎযাপন কৰা সম্ভৱ নহয়। দ্বিতীয়তে এনে শিশু সকলৰ প্ৰতি সমাজৰ ভূমিকাই বিশেষ প্ৰভাৱ পেলায়। সমাজৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠানত এই সকল শিশুৰ অংশগ্ৰহণ বাধ্যতামূলক কৰিব লাগে। যাতে তেওঁলোকে মানসিক ভাৱে সাহস পায়। তেওঁলোকৰ অক্ষমতাক উপলুঙা কৰা উচিত নহয়। প্ৰয়োজন সাপেক্ষে তেওঁলোকে বিচৰাৰ আগতে সহায়ৰ হাত আগবঢ়াব লাগে।

এনে শিশু সকলৰ উত্তৰণৰ বাবে সমাজৰ সাহিত্য - সংস্কৃতিৰ লগত জড়িত প্ৰতিজন ব্যক্তিয়েই দায়বদ্ধ হোৱা উচিত। দিব্যাংগ শিশু সকলৰ বিভিন্ন সমস্যা সমূহ লগত লৈ কেনেদৰে আগবাঢ়ি যাব পাৰি সেই বিষয়ে শিশু পুথি ৰচনা কৰি শিশু সকলক উৎসাহিত কৰিব পাৰে। উদাহৰণ স্বৰূপে কিৰণ তামুলীৰ "অপৰাজেয়" তেনে এখন শিশু পুথি, য'ত প'লিঅ' ৰোগত আক্ৰান্ত শিশু এজনৰ সফলতাৰ কথা বৰ্ণনা কৰা হৈছে। শেহতীয়াকৈ সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গে অন্ধতাৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা চিনেমা "ৰৈ ৰৈ বিনালে" এখন প্ৰেৰণা মূলক চিনেমা। চিনেমা খনত অন্ধতাক জয় কৰি সফলতা লাভ কৰাৰ কথা প্ৰতিফলিত হৈছে। সদৌ শেষত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ মানসিকতাৰে এখন সমভাৱাপন্ন আৰু সম দৃষ্টি সম্পন্ন সমাজ গঢ়ি তুলিবলৈ হ'লে আমি দিব্যাংগ সকলৰ সৈতে হাতে হাত ধৰি আগুৱাই যাবলৈ বদ্ধ পৰিপক্ক হ'ব লাগিব।

## লিমাৰিক



**মালবিকা দেৱী, শোণিতপুৰ**

(১)
ধন আৰু সোণ দুয়োটা ককাই ভাই,
এদিন দুয়ো গ'ল বিদেশলৈ পলাই।
দুয়ো বৰ এলেহুৱা,
তাৰ ঠাই আচহুৱা।
কাম এৰি দুয়ো আকৌ আহিল পলাই।

(২)
টকা ধাৰলৈ নি মায়াই স্বামীক দিলে,
ফোন কৰোতে তাই ৰিচিভ নকৰিলে।
আজি হলো মুখামুখি,
ভয় খালে মোক দেখি।
সোধাত ক'লে তাই ফোনটো বেয়া বোলে।

**মায়া বৰদলৈ**

(১)
পাচলিৰ বাৰীখন দেখিবলৈ ভাল
লাই মুলা পেটত, লগায় গোলমাল
ফুল ওল বন্ধাকবি
থাইৰডক নকবি
বাত বিষত কোঙা, খাই পালেং এগাল।

(২)
ভতিজাৰ বাবে ছোৱালী চাবলৈ গলোঁ
সকলোৱে মিঠামাত অভিভূত হলোঁ
সৰু মাছ ভজা এটা
জোলত সাঁতোৰে দুটা
এনে চিকটা মিতিৰ মুখ বিদৰালোঁ।

**ৰুক্মিণী দাস, শ্ৰীহাটী**

(১)
পথাৰত ধান বোৰ আছে হালি জালি
পিতাই কাটিব ধান বোৰ অহা কালি
পকা ধানে ৰিঙিয়াই
মেঘে ছন্দ হেৰুৱাই
বিনা দোষত পিতাই মোক পাৰে গালি ।।

(২)
হেঁপাহৰে গৈছিলা ছিঙ্গাপুৰলৈ বুলি
সাগৰ ভালপোৱা জুবিন বোপা তুমি
সাগৰতে লীন হ'লা
তুমি ও আছিলা ভোলা
তোমাকেই মাৰিলে দুই বন্ধু ই মিলি ।।

**উমা দেৱী, মৰিগাঁও**

(১)
চিকিৎসকক পাই বেমাৰ দেখালোঁ
বেমাৰৰ বাবে কত ঔষধ যে খালোঁ
তথাপি নহ'ল ভাল
নেদেখুৱাই হে ভাল
বেমাৰৰ বাবে কত পইচা খেদিলো।

(২)
ঠাণ্ডাত অহা-যোৱা বৰ লাগে আমনি
চিকিৎসকে ৰোগী চাই লাগে টোপনি
কেতিয়া নম্বৰ মাতে
পুৱাৰ উদং পেটে
চিকিৎসা কৰিব গৈ পাতো যে জমনি।

**ৰাজুমণি বৰা, গুৱাহাটী**

(১)
খুতৰিয়া বিলাহিটেঙা মাছ আনিলো
জুতিৰেযে পিঠাগুৰিদি আঞ্জা ৰান্ধিলোঁ
ঢাকোন মাৰি থৈ দিলো
কামতযে লাগি গ'লোঁ
দুপৰীয়া খাবলৈ লৈ সুদা চৰু পালোঁ

(২)
পাৰ্লাৰত আহিলো চেলাউৰি খুৰাই
ঘৰলৈ আহিলোঁ চকু মুদাই মুদাই
পাৰ্লাৰত ভয় খালোঁ
সূতাৰযে টান খালোঁ
আইঐ কি যে কষ্ট চকু পানী ওলাই।

JANASANYOG- 3343/25/7-Dec-25



# Dr Naba J Borah: A Neurosurgeon with a Golden Touch

**Heramba Nath**

*Last Issue*



His seamless success through MBBS, MS (Surgery), and MCh (Neurosurgery) reflected not only his brilliance but also the power of determination and dedication, inspiring thousands of young students across Assam to pursue careers in medicine.

Alongside academics, he nurtured a keen interest in quizzes, debates, and intellectual discussions. These pursuits sharpened his analytical abilities and honed his articulation skills, preparing him to become a trusted communicator and counsellor to patients and families. As he matured, his peers and teachers admired him not merely for scholastic achievement but for his poise, humility, and thoughtfulness.

During his medical studies, Dr Borah distinguished himself as a student of extraordinary calibre. His professors repeatedly lauded his punctuality, sincerity, and quiet determination, noting his ability to comprehend complex concepts deeply, ask insightful questions, and translate theoretical knowledge into precise clinical judgment. He completed his MBBS, MS, and MCh from Gauhati Medical College and Hospital (GMCH)—the most prestigious medical institution in Northeast India. Notably, he also served as General Secretary of the Students' Union, demonstrating leadership qualities that complemented his academic dedication. His fascination with neurosurgery emerged naturally from a desire to understand the intricate architecture of the human brain and nervous system—a field demanding precision, concentration, and mental resilience, all qualities deeply embedded in his character.

Dr Borah's academic accomplishments are remarkable. He secured the highest marks in the MCh entrance examination conducted by Srimanta Sankaradeva University of Health Sciences (SSUHS) and was recognised as the Best Postgraduate Student in Surgery by Gauhati University. Beyond examinations, he actively engaged in seminars, workshops, and academic conferences, constantly refining his skills. Even today, he remains a student of medicine, committed to lifelong learning and staying abreast of the latest neurosurgical advancements.

As a neurosurgeon, Dr Borah trained under some of the finest minds in India and abroad. Rigorous practice, advanced workshops, and participation in national and international conferences sharpened his skills. Yet, alongside technical mastery, he cultivated an extraordinary human sensitivity—a quality that distinguishes him from many in the profession. He continues to mentor young surgeons, guide postgraduate students, and contribute significantly to neurosurgical research and education, ensuring that the next generation inherits both skill and values.

At present, as Senior Consultant Neurosurgeon at Health City Hospital, Guwahati, Dr Borah leads a dedicated team managing some of the most complicated brain and spine cases. His expertise spans brain tumours, aneurysms, spinal disorders, strokes, congenital malformations, and traumatic head injuries. Official records credit him with performing over 10,000 brain and spine surgeries, placing him among the most accomplished neurosurgeons in the region. Yet what truly sets him apart is not merely volume or recognition—it is the spirit with which he approaches each case. Whether minor or high-risk, every procedure receives the same care, patience, and respect. Colleagues describe his calm presence in the operation theatre as almost spiritual, transforming anxiety into assurance and uncertainty into confidence.

Outside the theatre, Dr Borah is equally revered. Patients and families often recount the healing power of his words. He listens attentively, explains complex conditions with clarity, and reassures with humility and warmth. In an era when medical practice increasingly prioritises efficiency over empathy, his approach is a luminous exception, exemplifying true medical ethics.

I personally witnessed his compassion when my father-in-law suffered a sudden brain stroke. Amid fear and confusion, Dr Borah became the anchor of hope for our family. His calm assurance, soft-spoken confidence, and unwavering presence transformed despair into courage.

*Next Issue*

# সূৰুয উঠাৰ পৰত



**বিনীতা কলিতা কুমাৰ,শুৱালকুছি**

সূৰুয উঠাৰ পৰত
আঘোণ মহীয়া পথাৰত
ঘণ কুঁৱলীৰ মাজেৰে
সোণগুটি ধাননিৰ ওপৰেৰে
লয়লাস ভংগীৰে
মধুৰ মূৰ্ছনা তুলি
জাকি মাৰি উৰি ফুৰা
চৰাইৰ জাকৰ
মনোমোহা দৃশ্যই
মন প্ৰাণ পুলকিত কৰে
সোণগুটি ধান পকিছে জানি
চৰাই বোৰে জাক পাতি আহি
গছে গছে উৰি ফুৰি
কল কাকলিৰে গান গাই সিহঁতে
ধাননি পথাৰ খন কৰিছে
অধিক সৌন্দৰ্য্য ময়ী
কোন ডৰা ধাননিত পৰি
ধান খাব খুতি খুতি
নিয়ৰ কণা বোৰো আছে
ধানত মণি গঠা দি
পুৱাই আহে সিহঁতে
জাকি মাৰি উৰি
খাবলৈ বুলি সোণগুটি ধান
খুতি খুতি

# অস্বাভাৱিক বিমানৰ ভাৰা বৃদ্ধিৰ

মন্ত্ৰালয়ে বিমান কোম্পানীটোক কঠোৰ শাস্তি বিহাৰ পৰিকল্পনা কৰিছে। সমান্তৰালভাৱে দেশৰ সৰ্ববৃহৎ বিমান কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া পিটাৰ এলবাৰ্ছক অপসাৰণৰো পৰামৰ্শ দিয়াৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ'ৰ শীৰ্ষ বিষয়াৰ সৈতে এলানি বৈঠকত মিলিত হৈছে। বৈঠকৰ সময়ত বিমান কোম্পানীটোৰ বহু গাফিলতি পোহৰলৈ আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতে মুখ্য কাৰ্যবাহী বিষয়াগৰাকীক অপসাৰণৰ গুণাগঁথা চলিছে। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা বাৰে বাৰে পৰিস্থিতি মোকাবিলাৰ বাবে নিৰ্দেশ দিয়াৰ পিছতো ১৫ ডিচেম্বৰ পৰ্যন্ত পৰিস্থিতি যে স্বাভাৱিক নহয়, সেই কথা শীৰ্ষ বিষয়াসকলৰ বক্তব্যত একপ্ৰকাৰ স্পষ্ট হৈছে। বিমান কোম্পানীটোৰ এনে অৱহেলাৰ বাবেই বৃহৎ পৰিমাণৰ জৰিমনা বিহাৰো পৰিকল্পনা কৰিছে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে। একে সময়তে তেওঁলোকৰ বিমান সেৱাৰ সংখ্যা আৰু অধিক হ্ৰাস কৰাৰ পৰিকল্পনা কৰা হৈছে। অতি শীঘ্ৰেই এই সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ধাৰাবাহিকভাৱে বিমান সেৱা বাতিল হোৱাৰ পিছত দেশৰ বিমানৰ টিকটৰ মূল্য অস্বাভাৱিক বৃদ্ধি পাইছে। শনিবাৰে দিনত দিল্লীৰ পৰা কলকাতালৈ এজন যাত্ৰীয়ে অহা-যোৱা কৰিলে ৪৫ হাজাৰ টকা পৰ্যন্ত ব্যয় কৰিবলগীয়া হ'ব। তদুপৰি দেওবাৰৰ দিনটোত এই মূল্য চাৰিগুণ হৈছে। অৰ্থাৎ দিল্লী-কলকাতা পথত দেওবাৰে এজন ব্যক্তিয়ে ভ্ৰমণ কৰিলে খৰচ কৰিব লাগিব ৮৫ হাজাৰ টকা। একেদৰে দিল্লী-মুম্বাই পথত এই ভাৰা ৬৫ হাজাৰ টকা। কলকাতা-মুম্বাই পথত ৯০ হাজাৰ টকালৈকে বৃদ্ধি পাইছে। ইয়াৰ পিছতে বিমান পৰিবহণ মন্ত্ৰালয়ে বিমান সংস্থাসমূহক নতুনকৈ ভাৰাৰ সীমা মানি চলিবলৈ নিৰ্দেশ দিছে। পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক নোহোৱালৈকে কোনো বিমান কোম্পানীয়ে অতিৰিক্ত ভাৰাৰে যাত্ৰীসকলক লুণ্ঠন চলাব নোৱাৰিব বুলি সকীয়নি দি এনে কৰিলে সংশ্লিষ্ট বিমান কোম্পানীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰী ৰামমোহন নাইডুৱে সদৰী কৰে। তেওঁ লগতে যাত্ৰীসকলক ৪৮ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ বিমান ভাৰা কোনো কৰ্তন নকৰাকৈ ঘূৰাই দিয়াৰ বাবেও ইণ্ডিগ' কৰ্তৃপক্ষক নিৰ্দেশ দিছে। মন্ত্ৰী নাইডুৱে ইণ্ডিগ'ৰ বিমান সমস্যাৰ তদন্ত আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি এই ঘটনাৰ বিৰুদ্ধে দায়ীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কথা কয়। তেওঁ কয়- ইতিমধ্যে সমগ্ৰ ঘটনা সন্দৰ্ভত এখন কমিটী গঠন কৰা হৈছে। এই কমিটীয়ে ঘটনাৰ তদন্ত কৰিব। ইয়াৰ জৰিয়তে ভুলটো ক'ত হৈছিল বা কোনে কৰিছিল আমি জানিব পাৰিম। এইক্ষেত্ৰত কোনো ৰেহাই দিয়া নহ'ব। ভুল প্ৰমাণিত হ'লে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নাইডুৱে লগতে কয় যে অসামৰিক বিমান সেৱা আৰু যাত্ৰীৰ সহায় স্বাভাৱিক কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে নতুন বিমানৰ কৰ্তব্যৰ সময়সীমা, নিয়ম প্ৰণয়ন কৰিছে আৰু এইবোৰ পৰীক্ষা কৰি আছে।

# ভাৰতত উপস্থিত ৰাছিয়াৰ

বাংলাদেশৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী শেখ হাছিনাক আদৰণি জনাবলৈ প্ৰট'কল ভাঙি দিল্লী বিমানবন্দৰত উপস্থিত হৈছিল গৈ প্ৰধানমন্ত্ৰী মোদী। ২০১৮ বৰ্ষতো ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যেহুক মোদীয়ে নিজেই গৈ বিমানবন্দৰত অভ্যৰ্থনা জনাইছিল। আৰু এইবাৰ ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক বিমানবন্দৰত গৈ আদৰণি জনাইছে প্ৰধানমন্ত্ৰী মোদীয়ে। এইবাৰৰ ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণত তেওঁ ২৩সংখ্যক ভাৰত-ৰাছিয়া বছৰেকীয়া শীৰ্ষ বৈঠকত ভাগ ল'ব। এই সময়ছোৱাতে শুক্ৰবাৰে দিল্লী হায়দৰাবাদ হাউছৰ বৈঠকত দ্বিপাক্ষিক সহযোগিতা সম্পৰ্কীয় একাধিক চুক্তিত স্বাক্ষৰ হোৱাৰো সম্ভাৱনা আছে। তাৰ ভিতৰত অন্যতম হ'ল ৰাছিয়াৰ পৰা আৰঅ'এছ-৪০০ আকাশী প্ৰতিৰক্ষা ব্যৱস্থা ক্ৰয় কৰা। এই প্ৰসংগত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়- মহাকাশ গৱেষণা, পাৰমাণৱিক শক্তি, জাহাজ নিৰ্মাণ, বিমান নিৰ্মাণসহ একাধিক ক্ষেত্ৰত ভাৰত আৰু ৰাছিয়াই ভৱিষ্যতৰ স্বাৰ্থত একেলগে কাম কৰিছে। ভাৰতলৈ অহাৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে এক সাক্ষাৎকাৰত ক'লে- প্ৰধানমন্ত্ৰী মোদীয়ে কোনো হেঁচাৰ ওচৰত নতি স্বীকাৰ নকৰে। মাৰ্কিন শুল্ক আৰোপ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়- চাপৰ ওচৰত নতি স্বীকাৰ কৰা লোক নহয় প্ৰধানমন্ত্ৰী মোদী। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীক বন্ধু বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বক প্ৰশংসা কৰে। তেওঁ কয়- ভাৰত এখন বিশেষ দেশ। এই দেশৰ অৰ্থনীতি ৭.৭ শতাংশ হাৰে বৃদ্ধি পাইছে। এয়া প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ এক সাফল্য। সকলো ক্ষেত্ৰতে সমালোচক থাকেই। যিসকলে কয় যে আৰু ভাল হ'ব পাৰিলেহেঁতেন। উল্লেখ্য যে, ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাছিয়া-ইউক্ৰেইন যুদ্ধ আৰম্ভ হোৱাৰ পিছত এইটোৱেই ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ প্ৰথম ভাৰত ভ্ৰমণ। ২০২১ চনৰ ৬ ডিচেম্বৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ২১ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ভাৰতত উপস্থিত হৈছিল ।

# অসম গ্ৰন্থমেলা, শিলচৰত

এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে আয়োজন কৰা অসম গ্ৰন্থমেলা, শিলচৰত তৃতীয় দিনা বিয়লি অনুষ্ঠিত হয় "উন্মীলন" শীৰ্ষক যুৱ-লেখক সন্মিলন। উল্লেখ্য যে যুৱ-লেখক সকলক গ্ৰন্থৰ প্ৰতি অধিক আকৰ্ষিত কৰা আৰু অধ্যয়নৰ জৰিয়তে তেওঁলোকৰ সৃষ্টিৰ উত্তৰণ কৰাৰ লক্ষ্যৰে প্ৰতিখন অসম গ্ৰন্থমেলাতে এই অনুষ্ঠানটি আয়োজিত কৰি অহা হৈছে। উন্মীলন অনুষ্ঠানত যে কেৱল লেখক সকলহে থাকে সেইটো নহয়; এই অনুষ্ঠানে গীতিকাৰ-সুৰকাৰ, কণ্ঠশিল্পী-চিত্ৰশিল্পী সকলোকে সামৰি লয়। বিভিন্ন সৃজনীশীল ক্ষেত্ৰত কাম কৰি থকা যুৱ প্ৰজন্মই যাতে ইয়াৰ জৰিয়তে উপকৃত হ'ব পাৰে সেই লক্ষ্যৰেই অসম গ্ৰন্থমেলাত "উন্মীলন" আৰম্ভ কৰা হৈছিল। অসম গ্ৰন্থমেলা, শিলচৰত "উন্মীলন" সঞ্চালনা কৰে বিশিষ্ট কণ্ঠশিল্পী, লেখক, গীতিকাৰ বিশ্বৰাজ ভট্টাচাৰ্যই । তেওঁ কয় যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশৰ আৰু বিক্ৰেতা সংস্থাই শিলচৰত অসম গ্ৰন্থমেলা আয়োজন কৰাটো গুৰুত্বপূৰ্ণ কথা । কাছাৰৰ সমাজ-সাহিত্য তথা সাংস্কৃতিক উৎকৰ্ষ সাধনত ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকিব । তদুপৰি যুৱ প্ৰজন্মৰ প্ৰতিভাক "উন্মীলন"ৰ জৰিয়তে একেখন মঞ্চতে মত বিনিময় কৰিবলৈ দিয়াটোও গুৰুত্বপূৰ্ণ । ইয়াৰ ফলত তেওঁলোক উৎসাহিত আৰু উপকৃত হ'ব । এই অনুষ্ঠানত অংশগ্ৰহণ কৰা যুৱ-লেখক সকল হৈছে কল্পিতা দেৱ, সায়ন চক্ৰৱৰ্তী, প্ৰাঞ্জল পাল, ড° কনিকা চক্ৰৱৰ্তী, ড° অৰ্পিতাৰাণী দাস, কমলা থাপা সোণাৰ, সানি ভট্টাচাৰ্য, সুৰথ কুমাৰ নাথ, বিভাস মণ্ডল, সাহনাজ হুছেইন মাঝাৰ ভূঞাই । ইয়াৰ পাছতে অসম গ্ৰন্থমেলা, শিলচৰৰ তৃতীয় দিনৰ সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে উদাৰবন্দ শিক্ষা সদন, নৰচিং হায়াৰ ছেকেণ্ডাৰী আৰু একিছ গ্ল'বেল স্কুল, কালাইনে ।

# '২৬ৰ বিধানসভা নিৰ্বাচনত

জনজাতিকৰণৰ সন্দৰ্ভতো তেওঁ মন্তব্য কৰি কয় যে, বৰ্তমানৰ জনজাতি সকলৰ ক্ষতি নোহোৱাকৈ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলে আপত্তি নাথাকিব। দৈমাৰীয়ে লগতে এই কথাও উল্লেখ কৰে যে বিটিচি সচিবালয় আক্ৰমনৰ ঘটনাৰ লগত এবছু আৰু ইউ পি পি এল জড়িত। তেওঁ অসম চৰকাৰক আক্ৰমণকাৰীৰ ওপৰত ব্যৱস্থা ল'বলৈ অনুৰোধ জনায় । উল্লেখ্য যে, গহপুৰৰ কৌৰগুৰিত শুক্ৰবাৰে অনুষ্ঠিত বিপিএফৰৰ বিজয় উৎসৱত ধনশিৰি সমষ্টিৰ ইএম ফেচ মুছাহাৰী, অধ্যক্ষ ত্ৰিদিপ দৈমাৰীকে ধৰি বহু কেইজন বিপিএফৰ নেতা উপস্থিত থাকে।

# ২০২৬ৰ বিধানসভা

নিৰ্বাচনত নতুন মুখক অগ্ৰাধিকাৰ দিয়াৰ বিপৰীতে একাংশ বিধায়কৰ প্ৰাৰ্থিত্ব নাকচ হোৱাটো ইতিমধ্যে স্পষ্ট হৈছে। যোৱা সময়ছোৱাত ৰাজ্যিক বিজেপিৰ সভাপতি তথা মুখ্যমন্ত্ৰীয়েও কেইবাটাও সমষ্টিত নতুন মুখক অগ্ৰাধিকাৰ দিয়া হ'ব বুলি ঘোষণা কৰাৰ পাছত শাসকীয় দলটোৰ দখলত থকা বহুকেইটা সমষ্টিত প্ৰাৰ্থিত্বৰ বাবে নতুন নাম উচ্চাৰণ হৈছে। সমান্তৰালভাৱে প্ৰাৰ্থিত্ব হেৰুওৱাৰ সংকটত পৰিছে একাংশ বিধায়ক। এই বিষয়টোক মুখ্যমন্ত্ৰীয়ে পুনৰ স্পষ্ট কৰাত বিধানসভা নিৰ্বাচনত যে বহু বিজেপি বিধায়কে প্ৰাৰ্থিত্ব হেৰুৱাব সেয়া স্পষ্ট হৈ পৰিল। ইফালে অগপ-বিজেপিৰ আসন বুজাবুজিৰ বিষয়টোক লৈও মুখ্যমন্ত্ৰী ড° শৰ্মাই স্থিতি স্পষ্ট কৰিলে। মুখ্যমন্ত্ৰীৰ মন্তব্য- সৰহসংখ্যক আসনতে বিজেপি-অগপয়ে বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- বিগত নিৰ্বানত অগপ আৰু বিজেপিয়ে নিৰ্বাচনী মিত্ৰতা কৰিছে যদিও বহুকেইটা সমষ্টিত বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা হৈছিল। অগপৰ লগত ইতিমধ্যে আসন ভাগ-বাটোৱাৰাৰ আলোচনা বহুখিনি আগবাঢ়ি গৈছে। প্ৰয়োজন হয় যদি এখন-দুখন আসনত বন্ধুত্বমূলকভাৱে প্ৰতিদ্বন্দ্বিতা কৰাত আমাৰ আপত্তি নাই। কিন্তু সৰহসংখ্যক আসনতে অগপ-বিজেপিয়ে বুজাবুজি কৰিব। আসন ভাগ-বাটোৱাৰাক লৈ অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ সৈতে দীঘলীয়া বৈঠক অনুষ্ঠিত হৈছে। অতি সোনকালে ৰাজ্যিক বিজেপিৰ তৰফৰ পৰা অগপৰ লগত আসন বুজাবুজিক লৈ আনুষ্ঠানিক কথা-বতৰা আৰম্ভ হ'ব। মাঘ বিহুৰ পূৰ্বেই অগপ আৰু বিজেপিৰ মিত্ৰতা চূড়ান্ত হ'ব। একেদৰে ৰাভা হাছং, গণশক্তিৰ লগত মিত্ৰতাৰ বিষয়টো মাঘ বিহুৰ পূৰ্বে দলে শেষ কৰিব। ইয়াৰ বাবে আমি ১৫ জানুৱাৰী অন্তিম দিন হিচাপে লৈছোঁ।

# এছআইটিয়ে চাৰে

দাখিল কৰিব। মুখ্যমন্ত্ৰীয়ে কয়- ১৮ ডিচেম্বৰৰ পূৰ্বে অভিযোগনামা আমি দিবই লাগিব। নহ'লে অভিযুক্তসকলে জামিন লাভ কৰিব। সেয়েহে ১৮ ডিচেম্বৰৰ পূৰ্বে অভিযোগনামা দাখিল কৰাটো আইনগতভাৱে আমি বাধ্য। এছআইটিক মই কৈছোঁ- ১৮ ডিচেম্বৰলৈ ৰৈ থাকিব নালাগে, কেইদিনমান আগতে দাখিল কৰক। কিন্তু এছআইটিয়ে জানিবলৈ দিয়া অনুসৰি চাৰে তিনি হাজাৰ ডকুমেন্ট আইনগতভাৱে প্ৰস্তুত কৰি লোৱাৰ বাবে কিছু সময়ৰ প্ৰয়োজন। গতিকে এই সকলোবোৰ কাম সম্পূৰ্ণ কৰি ১২ ডিচেম্বৰৰ পূৰ্বেই অভিযোগনামা দাখিল কৰিব।

# দুদিনীয়া কাৰ্যসূচীৰে ২০

আনহাতে ১১ হাজাৰ কোটি টকা ব্যয়েৰে নামৰূপত হ'বলগীয়া বাৰ্ষিক ১২.৭ মেট্ৰিক টন সমৰ্থৰ এমোনিয়া-ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এখন জনসভাতো ভাগ ল'ব প্ৰধানমন্ত্ৰী মোদীয়ে। মন কৰিবলগীয়া যে নামৰূপ সাৰ প্ৰকল্পৰ চতুৰ্থ ইউনিট হিচাপে স্থাপন হোৱা ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ চৌহদত নিৰ্মাণ হ'বলগা এই প্ৰকল্পটো চলিত বৰ্ষৰ মাৰ্চ মাহত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছিল। বাৰ্ষিক ১২.৭ লাখ মেট্ৰিক টন উৎপাদন ক্ষমতাৰে ভাৰতৰ ঘৰুৱা ইউৰিয়া সাৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব। এই প্ৰকল্পৰ জৰিয়তে উত্তৰ-পূব, বিহাৰ, পশ্চিমবংগ, ঝাৰখণ্ড আৰু পূব উত্তৰ প্ৰদেশৰ চাহিদা পূৰণৰ লক্ষ্য লোৱা হৈছে। এই প্ৰকল্পটোৰ আনুমানিক ব্যয় ১০, ৬০১.৪০ কোটি টকা। আনহাতে আটকধুনীয়াকৈ বৰঝাৰস্থিত বিমানবন্দৰৰ নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে দ্বিতীয়টো টাৰ্মিনেল। ভাৰতৰ সংস্কৃতি আৰু প্ৰাকৃতিক দৃশ্যৰ প্ৰতিফলন ঘটা টাৰ্মিনেলটোত বাঁহ আৰু অৰ্কিডৰ উপাদান সন্নিৱিষ্ট কৰা হৈছে। যথেষ্ট আকৰ্ষণীয় হৈ পৰা এই টাৰ্মিনেলটোৱে বিমানযাত্ৰীক আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব।

# ১২ ডিচেম্বৰত দাখিল হ'ব জুবিনৰ

শিল্পীৰ মৃত্যুৰ পাছতে চিআইডিত ফেষ্টিভেল মহন্তখ্যাত শ্যামকানু মহন্তৰ বিৰুদ্ধে বিত্তীয় জালিয়াতিক লৈ ১৯/২৫ নম্বৰত আন এটা গোচৰ ৰুজু কৰা হৈছিল। উক্ত গোচৰৰ অভিযোগনামাও একেলগেই দাখিল কৰা হ'ব নেকি বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত এছআইটিৰ মুৰব্বী গুপ্তাই কয় যে উক্ত গোচৰটোৰ তদন্ত বৰ্তমানেও ব্যাহত আছে। অতি শীঘ্ৰেই গোচৰটোৰ তদন্ত শেষ কৰি অভিযোগনামাও আমি আদালতত দাখিল কৰিব পাৰিম। উল্লেখ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মহন্ত মৃত্যু সন্দৰ্ভত ৰুজু হোৱা ১৮/২৫ নম্বৰ গোচৰটোৰ অধীনত এছআইটিয়ে তদন্ত অব্যাহত ৰাখি কাৰ্যক্ষম হোৱা দিনৰ পৰা ৭৪ দিনলৈকে ৩০০ৰো অধিক লোকৰ সাক্ষ্যগ্ৰহণ কৰিছে। মূল ৭ অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গৰ লগতে শিল্পীগৰাকীৰ দুই দেহৰক্ষী ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যকো গ্ৰেপ্তাৰ কৰিছে। অভিযোগনামা দাখিলৰ বাবে এছআইটি সাজু হৈছে যদিও শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত কোনোধৰণৰ দিশ যাতে তদন্তৰ আওতাৰ পৰা বাদ নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আজিও এছআইটিয়ে তদন্ত চলাই আছে। এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই সংবাদ মেলযোগে ৰাইজৰ উৎকণ্ঠাক উনুকিয়াই কয় যে অহা ১২ ডিচেম্বৰত ৰাইজে সকলো কথা গম পাব। ৰাইজে বিচৰা ধৰণেই সকলো হ'ব বুলিও আওপকীয়াকৈ তেওঁ মন্তব্য কৰিছে। উল্লেখ্য যে, সুদূৰ ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে গৈ যোৱা ১৯ ছেপ্টেম্বৰত মহাসমুদ্ৰৰ বুকুত ৰহস্যজনকভাৱে মৃত্যুমুখত পৰিছিল অসমীয়াৰ আৱেগ, যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ।

# বিলুপ্ত লোক আৰু

প্ৰাপ্ত সীমান্ত শৰ্মাৰ। পুতলা নাটখনত লাঠী পুতলা, ছাঁ পুতলা আৰু সূতা পুতলাৰ জৰিয়তে পৰিৱেশিত হয়। "ৰাৱণ বধ" নাটখনে "বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ"ত উপস্থিত থকা শিল্পী আৰু বিশিষ্ট অতিথি সকলৰ পৰা যথেষ্ট সমাদৰ লাভ কৰে। পুতলা নাট খনত পৰিবেশন কৰা পুতলা সমূহৰ সঞ্চালন প্ৰতিটো দৃশ্য সুন্দৰ ভাৱে উপস্থাপন কৰিছিল। নাট এখনত নাট্য শাস্ত্ৰৰ নৱৰস অন্তৰ্নিহিত হোৱাটো প্ৰয়োজনীয় দিশ। "ৰাৱণ বধ" নাট খনত সকলো ৰসেই দেখুওৱা হৈছিল। নাটখনত অলাগতীয়াল শব্দৰ প্ৰয়োগ নকৰি নাট্যকাৰে অসমীয়া সাহিত্যৰ সাৱলীল ৰূপ প্ৰতিফলিত কৰিছিল নাটৰ চৰিত্ৰ সমূহৰ ৰাম, সীতা, লক্ষ্মণ, ৰাৱণ, সুৰ্পনাখা আৰু জতায়ুৰ পুতলা সঞ্চালনে দৰ্শকক অভিভূত কৰি তুলিছিল। সুৰ্পনাখাৰ পৰা সুন্দৰী নাৰীলৈ সলনি হোৱা কলা কৌশল দেখি দৰ্শক অভিভূত হৈ পৰে। লক্ষ্মণে সুৰ্পনাখাৰ নাক কটা, ৰাৱণ আৰু জটায়ুৰ যুদ্ধই দৰ্শকক অভিভূত কৰি তুলিছিল। সীতাক ৰাৱণৰ পৰা উদ্ধাৰ কৰাৰ বাবে জটায়ুৰ যি প্ৰচেষ্টা তাক সুন্দৰ কৈ প্ৰতিফলিত কৰিছে নাটখনত। নাট খনত সংগীত পৰিচালনা পাপু গোহাঁইৰ। নাটক খনত "বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ" ত আধ্যাত্মিক সংগীত, লোক সংগীত, পাশ্চাত্য সংগীতৰ সংমিশ্ৰণৰ মধুৰ সুৰে সকলোকে মন্ত্ৰ মুগ্ধ কৰি তুলিছিল। পুতলা নাট খনত পুতলা সমূহ সঞ্চালন কৰিছিল বিনীতা দেৱী, প্ৰণৱ জ্যোতি ৰাভা, হেমেন সেনাপতি, কৰিস্মিতা তালুকদাৰ, সীমান্ত শৰ্মা, পলক কৌৰি, গনেশ বড়ো। সাজ সজ্জা তৃষ্ণা ৰাজবংশী, দীপা মহন্ত, হিমাংশু দাস আৰু কৃতাৰ্থ শৰ্মাৰ। মঞ্চ সজ্জা সীমান্ত শৰ্মা আৰু গনেশ বড়োৰ। "ৰাৱণ বধ" নাট খনত শিল্পী আৰু দৰ্শক সকলক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পৰাটো পৰিচালক বিনীতা দেৱীৰ কৃতিত্ব দাবী কৰিব পাৰি।

# অসম আৰক্ষীৰ

শেহতীয়াকৈ ৰাজ্য চৰকাৰে ৫, ৮১৮ গৰাকী প্ৰাৰ্থীক অসম আৰু গৃহ বিভাগত নিযুক্তি দিছে। এই নিযুক্তি-পত্ৰ বিতৰণৰ দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে অতি সোনকালে অসম আৰক্ষীৰ কনিষ্টবল পদৰ বাবে বিজ্ঞাপন দিয়া হ'ব। সেই ঘোষণা অনুসৰিয়েই ১, ৭১৫টা কনিষ্টবল পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পালে। স্বাভাৱিকতে ৫, ৮১৮ পদৰ নিযুক্তিৰ পৰা বঞ্চিত হোৱাসকলে এইবাৰ কনিষ্টবল পদত পুনৰ আবেদনৰ সুযোগ লাভ কৰিব।

# ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনক

উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী এছ জয়শংকৰ, সৰ্বানন্দ সোণোৱাল, দিল্লীৰ লেফটেনেণ্ট গৱৰ্ণৰ ভি কে ছাক্সেনা, চি ডি এছ জেনেৰেল অনিল চৌহান আৰু বহুতো বিশিষ্ট ব্যক্তি। ৰাষ্ট্ৰপতি মুৰ্মু আৰু পুটিনে ইজনে সিজনৰ সৈতে চিনা-পৰিচয় হয়। পুটিনৰ সৈতে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলৌছভ আৰু ক্ৰেমলিন সহায়ক ডিমিট্ৰি পেস্কোভো উপস্থিত থাকে। আদৰণিৰ পিছত ৰাষ্ট্ৰপতি পুটিন ৰাজঘাটলৈ লৈ মহাত্মা গান্ধীৰ স্মৃতিসৌধত পুষ্পাঞ্জলি অৰ্পণ কৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে দৰ্শনাৰ্থী গ্ৰন্থতো স্বাক্ষৰ কৰে। এই সময়ত তেওঁৰ সৈতে থাকে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিং। ইফালে প্ৰায় ৪ বছৰৰ অন্তত ভাৰতত ভ্ৰমণ কৰা ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকত অংশ লয়। উল্লেখযোগ্য, ২০২১ চনৰ ডিচেম্বৰ মাহত পুটিনে অন্তিমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰিছিল। বৃহস্পতিবাৰে নিশা পালম বিমানবন্দৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন উপস্থিত হোৱাৰ লগে লগেই প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁক আদৰণি জনায়। সামাজিক মাধ্যম এক্সত পোষ্ট কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে- "মোৰ বন্ধু ৰাষ্ট্ৰপতি পুটিনক ভাৰতলৈ আদৰণি জনাবলৈ পাই বিশেষ আনন্দিত।" দুয়ো নেতা একেলগে বাহন প্ৰধানমন্ত্ৰী মোদীৰ লোককল্যাণ মাৰ্গৰ বাসগৃহলৈ যায়, য'ত ৰাষ্ট্ৰপতি পুটিনক ৰাছিয়ান ভাষাত অনুদিত এখন 'গীতা' উপহাৰ হিচাপে আগবঢ়ায় প্ৰধানমন্ত্ৰী মোদীয়ে। ভাৰত-ৰাছিয়া বন্ধুত্বই দুয়ো দেশৰ জনসাধাৰণক উপকৃত কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে। আনহাতে, ভাৰতত ভৰি দিয়েই পুটিনে কয় যে নতুন দিল্লী আৰু মস্কোৰ প্ৰতি ৱাশ্বিংটনৰ আগ্ৰাসী দৃষ্টিভংগী আছে। ভাৰত-ৰাছিয়াৰ সহযোগিতা কোনো দেশৰ বিৰুদ্ধে নিৰ্দেশিত নহয় আৰু ইয়াৰ লক্ষ্য কেৱল দুয়োপক্ষৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰাটোহে বুলি তেওঁ মন্তব্য কৰে ।

# ভাৰত-ৰাছিয়াৰ মাজত সামুদ্ৰিক

প্ৰধানমন্ত্ৰী মোদী পুনৰ কয়, 'একেদৰে জাহাজ নিৰ্মাণত আমাৰ গভীৰ সহযোগিতাই মেক ইন ইণ্ডিয়া'ক শক্তিশালী কৰাৰ সম্ভাৱনা আছে। এয়া আমাৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ আন এক উৎকৃষ্ট উদাহৰণ, যিয়ে নিয়োগ, দক্ষতা আৰু অঞ্চলভিত্তিক সংযোগ বৃদ্ধি কৰিব।' প্ৰথম বুজাবুজিৰ চুক্তিখনে ভাৰতীয় সামুদ্ৰিক যাত্ৰীসকলক প'লাৰ জলভাগত কাৰ্যকৰী প্ৰশিক্ষণৰ সহযোগিতাত গুৰুত্ব আৰোপ কৰিছে। এছ টি চি ডব্লিউ কনভেনশ্যন আৰু প'লাৰ কৰিড'ৰ সৈতে সংগতি ৰাখি এই সহযোগিতাই বিশেষ প্ৰশিক্ষণ মডিউলৰ যুটীয়া নক্সা, উত্তম অভিজ্ঞতাৰ আদান-প্ৰদান, বৰফ আৰু বৰফে আবৃত অৱস্থাত নৌচালনা আৰু কাৰ্যকৰী ক্ষমতা বিকাশত সহায় কৰিব। দ্বিতীয় বুজাবুজিৰ চুক্তি ৰাছিয়ান ফেডাৰেশ্যনৰ সামুদ্ৰিক ব'ৰ্ড আৰু ভাৰতৰ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ মাজত স্বাক্ষৰিত হৈছে ইয়াৰ জৰিয়তে সাগৰীয় নীতি সম্পৰ্কে নিয়মীয়া পৰামৰ্শৰ এক গুণগত ব্যৱস্থা ত্বৰান্বিত কৰা হ'ব। আন্তৰ্জাতিক আইনৰ সৈতে সংগতি ৰাখি সাগৰীয় সুৰক্ষা, নিৰাপত্তা আৰু সাগৰ-মহাসাগৰৰ শান্তিপূৰ্ণ ব্যৱহাৰত দুয়োখন দেশে সমন্বয় সাধন কৰিব। ভাৰত-ৰাছিয়াৰ সাগৰীয় সংযোগ সহযোগিতা তিনিটা কৌশলগত বাণিজ্য কৰিড'ৰত আগবাঢ়িছে, আই এন এছ টি চিৰ জৰিয়তে ইৰানৰ মাজেৰে কণ্টেইনাৰ পৰিবহণ বছৰি ১, ৫০, ০০০ৰ পৰা প্ৰায় ৫০ লাখ টি ই ইউলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে আৰু ভাৰতে ৰাছিয়া আৰু মধ্য এছিয়ালৈ প্ৰৱেশাধিকাৰ শক্তিশালী কৰিব। উত্তৰ সাগৰীয় পথক এছিয়া আৰু ইউৰোপৰ মাজত এক কৌশলগত আৰ্কটিক চেনেল হিচাপে স্বীকৃতি দিয়া হৈছে, যিয়ে জাহাজ চলাচলৰ দূৰত্ব কমাই আনে। দুয়োখন দেশে মালবাহী পৰিবহণ আৰু জাহাজ নিৰ্মাণৰ উপগোটৰ সন্দৰ্ভত একমত হৈছে। পূব সাগৰীয় কৰিড'ৰ (চেন্নাই-ভ্লাদিভোষ্টক) পথ পৰম্পৰাগত মুম্বাই-চেন্ট পিটাৰ্ছবাৰ্গ পথতকৈ প্ৰায় ৪০ শতাংশ চুটি। ২০২৪-২৫ বিত্তীয় বৰ্ষত মালবাহী পৰিমাণ বৃদ্ধি পোৱাত বন্দৰৰ পৰিকাঠামো, ৰে'ল সংযোগ আৰু ৰাছিয়াৰ দূৰ প্ৰাচ্যত সাৰ, এল এন জি আদিৰ ঔদ্যোগিক উন্নয়নৰ পথ মুকলি হৈছে।

# উমৰাংছ'ত আটকধুনীয়া ক্ৰিকেট

স্থাপন কৰা এই ষ্টেডিয়ামখন এক মনোৰম প্ৰাকৃতিক পৰিৱেশৰ মাজত নিৰ্মাণ কৰা হৈছে। খেলুৱৈসকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদান আৰু তেওঁলোকৰ সৰ্বোত্তম প্ৰদৰ্শন কৰাত সহায়ক হোৱাকৈ এই ষ্টেডিয়ামত পাঁচটা চেণ্টাৰ উইকেট আৰু পাঁচটা নিৰ্দিষ্ট অনুশীলন পিটিচ থকা এক অনুশীলন ক্ষেত্ৰ আছে, যিয়ে বছৰজুৰি প্ৰশিক্ষণৰ সুবিধা নিশ্চিত কৰিব। এই ষ্টেডিয়াম প্ৰকল্পৰ চৌহদত প্ৰায় ৩২গৰাকী খেলুৱৈৰ বাবে অত্যাধুনিক সুবিধাযুক্ত এটা পেভিলিয়ন আৰু চৌহদটোৰ কাম-কাজ চলোৱাৰ বাবে কৰ্মচাৰীসকলৰ বাবে ৮টা আৱাসিক কোৱাৰ্টাৰো নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উমাৰাংছ'ত আজি উদ্বোধন হোৱা ক্ৰিকেট ষ্টেডিয়ামখনৰ সমীপতে এখন ফুটবল ষ্টেডিয়ামো নিৰ্মাণ হ'ব। দুয়োবিধ জনপ্ৰিয় খেলৰ বাবে দুখন ষ্টেডিয়াম নিৰ্মাণ হৈ উঠাৰ পিছত উমৰাংছ'ত ক্ৰীড়াৰ এক সুন্দৰ পৰিৱেশ গঢ়ি উঠিব বুলি আশা কৰে। তেওঁ কয় যে দেশৰ তাৰকা ক্ৰিকেট খেলুৱৈৰ উপস্থিতত এই ষ্টেডিয়ামখনত আগন্তুক সময়ত ক্ৰিকেট খেল অনুষ্ঠিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত নিৰ্মিত এই ষ্টেডিয়ামখনত নিশাৰ ভাগত খেল অনুষ্ঠিত হ'লে ক্ৰীড়াপ্ৰেমীয়ে অধিক আনন্দ উপভোগ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে উক্ত অনুষ্ঠানত উপস্থিত থকা বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়া, অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ তথা উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবহি সদস্য দেৱোলাল গাৰ্লোছাক ষ্টেডিয়ামখনত 'ফ্লাড লাইট'ৰ ব্যৱস্থা কৰাৰ দিশত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ঘোষণা কৰে যে উমৰাংছ'ত প্ৰস্তাৱিত ফুটবল ষ্টেডিয়ামখনত এটা 'ছিন্থেটিক' ট্ৰেক স্থাপন কৰা হ'ব আৰু ইয়াৰ বাবে যাৱতীয় পুঁজি ৰাজ্য চৰকাৰে যোগান ধৰিব। ১১ কোটি টকা ব্যয় সাপেক্ষে উমৰাংছুত এই ষ্টেডিয়ামখন নিৰ্মাণ কৰাৰ বাবে অসম ক্ৰিকেট সন্থাক ধন্যবাদ জনায় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বিশ্বকাপ বিজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলটোত অসমৰ উমা ছেত্ৰীও সদস্যা হিচাপে আছিল। বোকাখাতৰ এখন গাঁৱৰ নিৱাসী উমা ছেত্ৰীয়ে নিজ প্ৰতিভাৰ বলত আজি ক্ৰিকেটৰ ক্ষেত্ৰখনত উজলি উঠিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে সমাজে যদি সুপ্ত প্ৰতিভাসমূহ বিকাশত গুৰুত্ব আৰোপ কৰে, তেন্তে অসমৰ বহু প্ৰতিভা পোহৰলৈ আহিব। উমৰাংছ'ত যদি ক্ৰিকেটৰ এক পৰিৱেশ গঢ়ি উঠে তেতিয়া আগন্তুক পাঁচ-দহ বছত জিলাখনৰ পৰা বহু প্ৰতিভাধৰ ক্ৰিকেট খেলুৱৈ জন্ম হ'ব বুলি তেওঁ কয়। উমৰাংছ'ত উদ্বোধন হোৱা ষ্টেডিয়ামখনৰ পৰাও ক্ৰিকেট প্ৰতিভা সৃষ্টি হ'ব বুলি আশা কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়ত ষ্টেডিয়ামখনৰ সা- সুবিধা উন্নীত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি কয়। ভাষণত মুখ্যমন্ত্ৰীয়ে ডিমা হাছাও জিলাৰ উন্নয়নৰ বাবে বিগত সময়ছোৱাত হোৱা পদক্ষেপসমূহৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে জিলাখনৰ বাট-পথ পূৰ্বৰ তুলনাত যথেষ্ট উন্নত হোৱাৰ উপৰি বিদ্যালয়, মহাবিদ্যালয় আদি স্থাপনৰ পদক্ষেপো চলি আছে। এই অনুষ্ঠানত মন্ত্ৰী নন্দিতা গাৰ্লোছা, অসম ক্ৰিকেট সন্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈ, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱোলাল গাৰ্লোছা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ মোহিত হোজাই, বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়া, অসম ক্ৰিকেট সন্থাৰ সচিব সনাতন দাস, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য, পৰিষদীয় সদস্যবৃন্দকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# ENGLISH NEWS SECTION

## Lok Bhavan Assam celebrates Asom Divas with organizing "TB Mukt Bharat" health camp




Guwahati, RB News: On the occasion of Asom Divas, Lok Bhavan, Assam in association with Health and Family Welfare department, Government of Assam, organized a health camp dedicated to the vision of a "TB Mukt Bharat", under the leadership of Governor Shri Lakshman Prasad Acharya at Uzan Bazar.In alignment with the Prime Minister's call for a tuberculosis-free India, the health camp was conducted as part of the campaign "Lok Bhavan se Lok Seva ki Ore", representing service and welfare for the people. A Mobile Medical Unit was deployed at the venue to provide TB screening, medical consultation, and awareness on prevention and early detection. Addressing the people on the occasion, Governor Shri Acharya said, "Raj Bhavan has now become Lok Bhavan- Lok means for the people and for their development. Inspired by Prime Minister Shri Narendra Modi, we will do our part to remain healthy and contribute to a Viksit Bharat. Lok Bhavan will be a catalyst to realize the vision of Viksit Bharat". He encouraged citizens to make full use of available health services and actively participate in nation-building through improved community health".The Governor also highlighted that nationwide initiatives, which have been launched to eliminate tuberculosis, and that Assam, under the leadership of Chief Minister Dr. Himanta Biswa Sarma has been implementing programmes to strengthen the state's TB elimination efforts.

## Justin Greaves' Double Hundred Helps WI Secure Fighting Draw



RB News: Justin Greaves scored an epic unbeaten double century to earn the West Indies a valiant draw in the first Test against New Zealand in Christchurch on Saturday. Chasing a massive 531, the visitors held firm through the final day, with Greaves blocking everything on his way to an unbeaten 202 as both captains finally agreed to shake hands. West Indies closed on 457 for 6, thanks to crucial partnerships involving Shai Hope (140) and Kemar Roach (58*), who stood tall alongside the eventual Player of the Match, Greaves.

## India beat Belgium in Jr. Hockey World Cup to qualify for semifinal



RB News: Goalkeeper Prince Deep Singh channelized his inner 'PR Sreejesh' to pull off a couple of spectacular saves in a pulsating shoot-out as India edged out a spirited Belgium 4-3 to enter the semi-final of the FIH Junior Men's Hockey World Cup on Friday. The two teams were locked 2-2 after regulation time and in the shoot-out, Sharda Nand Tiwary converted three strokes while Prince Deep pulled off a couple of extraordinary saves to steer India into the last four. India will meet defending champions Germany in the semi-final.

## BCCI announces India's 15-man squad for South Africa T20Is



RB News: BCCI on Wednesday unveiled India's T20I squad for the upcoming home series against South Africa. The Suryakumar Yadav-led squad has a couple of major changes with all-rounder Hardik Pandya making his international comeback from an injury he picked up during India's winning campaign at the Asia Cup earlier this year. The squad also features vice-captain Shubman Gill with his availability subject to fitness clearance from the BCCI Centre of Excellence.

## Donald Trump awarded first-ever FIFA Peace Prize



RB News: US President Donald Trump has been awarded the first-ever FIFA Peace Prize. The award was presented to him during FIFA World Cup 2026 draw ceremony. Trump has previously described himself as a "president of peace" and campaigned for Nobel Peace Prize. Gianni Infantino, president of world football's governing body and a close associate of Trump, presented the 79-year-old with the award during the ceremony at Washington's Kennedy Center. " Thank you very much. This is truly one of the great honors of my life. And beyond awards, Gianni and I were discussing this, we saved millions and millions of lives," Trump said.

## Sunil Narine becomes 3rd player to complete 600 T20 wickets



RB News: Former West Indies spinner Sunil Narine became the third cricketer to complete 600 T20 wickets in Abu Dhabi Knight Riders' ILT20 match against Sharjah Warriorz. With this landmark, Narine now joins an elite club headed by Rashid Khan, who has taken 681 wickets in 499 matches, is the first to complete 600 T20 wickets. He is followed by former West Indies cricketer Dwayne Bravo, who took 631 wickets in 582 games.

## Fakhar Zaman fined 10% of match fee for ICC Code of Conduct breach



RB News:Pakistan batter Fakhar Zaman has been fined 10% of his match fee for Level 1 breach of ICC Code of Conduct during Tri-series final against Sri Lanka. The violation pertains to Article 2.8 of the ICC Code of Conduct for Players and Player Support Personnel, concerning dissent towards an umpire's decision in an international match. "One demerit point has been added to Zaman's disciplinary record, for whom it was the first offence in a 24-month period," ICC said in a statement.

# ভাল কৰিব নোৱাৰিলে,বেয়াও নকৰিব

শৈলেন কুমাৰ, মিৰ্জা



তৈলমৰ্দন, চাটুকাৰীতা কৰি হয়তো কিছুদিন তিষ্ঠিব পাৰি কিন্তু বজাৰত টেঙা আম মূল্যহীন। এদিন তাৰ পৰিণতি অপদস্থভাৱে হয়। আপোনাৰ যিখিনি আছে সেইখিনিলৈ আগবাঢ়িব শিকিব লাগে, মানুহে উপলুঙা কৰিব বা ঠাট্টা কৰিব তাকলৈ বিক্ষেপ নকৰি, নিজৰ কাম কৰিব লাগে।দুদিন কষ্ট হ'ব কিন্তু সময়ৰ গতিত অভ্যস্ত হব পৰা যায়।নিজৰ পৰিচয় নহোৱা মানুহ সমাজত মেৰুদণ্ডহীন হৈ পৰে।পৰিচয় ভালবেয়া দুয়োটা থাকিব পাৰে, ব্যক্তি বিশেষে পৰিচয়ৰ ধাৰণা ভিন্নভিন্ন হব পাৰে। লগতে এটা কথা মনত ৰখা উচিত বহুতে বিভিন্ন ধৰণে আপোনাক অহিত কৰিবলৈ চেষ্টা কৰিলে সেইসময়খিনিত কেৱল নিজস্ব শুদ্ধতা আৰু বিবেক দৃষ্টিৰে মোকাবিলা কৰিব লাগে। কেতিয়াও নিজৰ আত্মসন্মান হেৰুৱাব নালাগে। আজি হয়তো আনক অনুসৰণ কৰি দুদিন কৃত্ৰিম বুদ্ধিমত্তাৰে নিজৰ ভাতসাঁজ মোকলাই লব পাৰিম কিন্তু তেতিয়া আপুনি হৈ পৰিব আনৰ হাতৰ পুতলা, আপুনি আনৰ কথাত উঠাবহা কৰি ইমানেই অভ্যস্থ হৈ পৰিব যে আপুনি নিজকে পাহৰি যাব। জীৱনত শুকনিমুৰা হৈ নহয় বীৰৰ দৰে যুঁজিবলৈ শিকক। মনত ৰখা উচিত কিনাবেচা খেলখনত কোনো আপোন নহয় আৰু কোনো পৰো নহয়, সদায় জীৱনৰ খেলখনত সততাৰে খেলিবলৈ শিকক, মিছলীয়াৰ ঠেং ছুটি বুলি কথা এশাৰী আছে সেইবাবে আমি কেতিয়াবা নহয় কেতিয়াবা নিজৰ কুস্বভাৱৰ কাৰণে কৰবাত নহয় কৰবাত অপমানিত হব লাগিব পাৰে।সদায় সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰক আৰু কাৰোবাৰ ভাল কৰিব নোৱাৰিলে অন্ততঃ বেয়া নকৰিব। বাকী সমাজৰ চুকেকোণে থাকি সমাজত বিষবাষ্প বিলোৱা এলান্ধু বিলাকৰ পৰা এৰাই চলক।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286